চান্দমামা

নভেমবাৰ ১৯৯০



অকণমান পৰিকল্পনা, অপৰিসীম স্নেহ ...

আৰু লগতে ক্ষুদ্ৰ সঞ্চয়ৰ সৈতে আনকি আপোনাৰ সন্তানটি, ২১ বছৰতে হব পাৰে লাখপতি।



ইউনিট ট্ৰাষ্টৰ শিশু-উপহাৰ বৃদ্ধি আঁচনি ধন বিনিয়োগ কৰক।

আজি সি আপোনাৰ কোলাত এটি কণমানি কেঁচুৱা। নিজকে নিৰাপদ আৰু সুৰক্ষিত অনুভৱ কৰিবলৈ, আপোনাৰ উপস্থিতিয়েই আজি তাৰবাবে সৰ্বস্ব। কিন্তু অতি সোনকালেই, সময়ৰ পৰিবৰ্ত্তন হব। আৰু সি জীৱন-সংগ্ৰামলৈ ওলাই আহিব। সন্মুখীন হব এক কঠোৰ বাস্তৱৰ।

গতিকে আপোনাৰ সন্তানটিৰ ভবিষ্যতৰ বাবে এতিয়াই নাভাবে কিয়? ইউনিট ট্ৰাষ্টৰ শিশু উপহাৰ বৃদ্ধি আঁচনিত ধন বিনিয়োগ কৰক। এই আঁচনিৰ অধীনত, নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰা ক্ষুদ্ৰ বিনিয়োগৰ যোগেদি, আপোনাৰ সন্তানটিয়ে ২১ বছৰ বয়সতে লাখপতি হব পাৰিব।

প্ৰশ্ন :– আপোনাৰ সন্তানটিক লাখপতি কৰিবলৈ কেনেদৰে ধন বিনিয়োগ কৰা উচিত?

উত্তৰ :– আপুনি যদি সন্তানটিৰ জন্মৰ সময়তে চি জি জি এফত ধন বিনিয়োগ কৰিব বিচাৰে, তেন্তে তলৰ যি কোনো এটি পন্থা গ্ৰহণ কৰিব পাৰে।
(i) শিশুটিৰ জন্মৰ সময়ত আৰু তাৰপাছত প্ৰতিবছৰে ১,১০০ টকা শিশুটিৰ ১৫ বছৰ হোৱালৈকে আপুনি বিনিয়োগ কৰিব পাৰে। (ii) আপুনি একাদিক্ৰমে ৩ বছৰৰ বাবে ৩,২০০ টকাকৈ অথবা একাদিক্ৰমে ৬ বছৰৰ বাবে ১৯০০ টকাকৈ ধন বিনিয়োগ কৰিব পাৰে। (iii) আপুনি একেবাৰতেই ৮,৫০০ টকা বিনিয়োগ কৰিব পাৰে।

প্ৰশ্ন :– ধৰক, সন্তানটিৰ বয়স হ'ল?

উত্তৰ :– ১৫ বছৰ বয়সলৈকে প্ৰতি বছৰৰ বাবে আমাৰ আঁচনি আছে। চি জি জি এফ পুস্তিকাখনত থকা তালিকাৰ পৰাই আপুনি এই বিষয়ে সকলো জানিব পাৰিব। অনুগ্ৰহ কৰি এই বিষয়ে আমালৈ লিখক।

প্ৰশ্ন :– এই উপহাৰ শিশুটিক কোনে কোনে দিব পাৰে?

উত্তৰ :– পিতৃ-মাতৃ, সম্বন্ধীয় লোক, বন্ধুবান্ধৱ, কোম্পানী অথবা কৰ্পৰেট বডি সমূহে।

প্ৰশ্ন :– আপুনি বিনিয়োগ কৰিব পৰা সৰ্বনিম্ন ধনৰ পৰিমাণ কিমানে?

উত্তৰ :– ৫০০ টকা আৰু তাৰপিচত ১০০ টকাৰ গুণিতকত।

প্ৰশ্ন :– এই বিনিয়োগৰ লাভালাভ সমূহ কি?

উত্তৰ :– শতকৰা বছৰি ১২.৫% টকা সুদৰ উপৰিও প্ৰতি ৫ বছৰৰ অন্তৰে অন্তৰে এটা বোনাচ ডিভিডেণ্ড।

প্ৰশ্ন :– ম্যাদ সমাপ্তিৰ পিচত কোনো সুবিধা আছেনেকি?

উত্তৰ :– ধনখিনি উলিয়াই অনাৰ পৰিবৰ্ত্তে, ইউ টি আইৰ অন্যান্য বহু যোজনা'ত পুনৰ খটুৱাব পাৰে।

চি জি জি এফ'ৰ ওপৰত তথ্যসম্বলিত বিনামূলীয়া পুস্তিকাৰ বাবে অনুগ্ৰহ কৰি যিকোনো ইউনিট ট্ৰাষ্টৰ অফিচ বা চিফ ৰিপ্ৰেজেণ্টেটিভ বা এজেণ্ট, অথবা নিৰ্ব্বাচিত হিন্দুস্তান পেট্ৰোলিয়াম বা ইণ্ডিয়ান অইল পেট্ৰল পাম্পত যোগাযোগ কৰক।
নাইবা আমাৰ যিকোনো অফিচলৈ লিখক।

বিশদ বিৱৰণৰ বাবে যিকোনো এটি ইউ টি আইৰ অফিচলৈ তলৰ কুপনখন ডাকযোগে পঠিয়াওক।

> অনুগ্ৰহ কৰি মোলৈ চি জি জি এফৰ বিনামূলীয়া পুস্তিকা পঠিয়াওক।
>
> নাম : ____________________
>
> ঠিকনা : ____________________

ইউনিট ট্ৰাষ্ট অৱ ইণ্ডিয়া

(ৰাজহুৱা খণ্ডৰ এটি বিত্তীয় সংস্থা)

- ১৩, চাৰ বিঠলদাস থেকাৰচে মাৰ্গ, (নিউ মেৰিন লাইন্‌চ), ব'ম্বে ৪০০ ০২০, ফোন : ২৮৬৩৭৬৭/৬২০১৯৯৫।
- ২ আৰু ৪, ফেয়াৰ্লি প্লেচ, কলিকতা ৭০০ ০০১, ফোন : ২০৯৩৯১/২০৫৩২২
- গুলাব ভৱন, (ৰিয়েৰ ব্লক), ২য় মহলা, ৬, বাহাদুৰ শ্বাহ জফৰ মাৰ্গ, নতুন দিল্লী ১১০ ০০২, ফোন : ৩৩১৮৬৩৮/৩৩১৯৭৮৬
- জীৱন দীপ, মতিলাল নেহৰু ৰোড, পান বজাৰ, গুৱাহাটী ৭৮১ ০০১, ফোন : ২৩১৩১

Sista's-UTI-29/90 ASM G

''मेरि'' गोल्ड कवरिंग गहने अपनी श्रेष्ठता; अनुपम 'लाजवाब' मनमोहक डिसैनों से दुनियाँ की सारी स्त्रियों के दिलों में शाश्वत जगह पाये हैं । आपको कैसा नम्बर चाहिये यह हमें लिखकर बताइये । वि.पि.पि. द्वारा भेजा जायेगा । मुफ्त केटलाग के लिये आज ही हमें लिखिये, ।



MERI GOLD COVERING WORKS

P.O.BOX 1405, 14, RANGANATHAN STREET
T.NAGAR, MADRAS - 600 017, PHONE: 444671

চান্দমামা

*

নভেমবাৰ ১৯৯০

এই * আছে

সংখ্যাত

*

মাতৃ-উপাসনা : ৭
ফিজিৰ ফাপৰত পৰা ভাৰতীয় : ৯
যৌতুকী জ্বৰ : ১১
দস্যু যুবৰাজ : ১৭
মুখিয়াল আৰু ৰজা : ২৫
প্ৰাহৰা ধানৰ ভাত : ৩০
জ্ঞান-ভাণ্ডাৰ : ৩৩
সিন্ধু : ভূমি আৰু নদী : ৩৪
শ্ৰীৰামকৃষ্ণ পৰমহংস-৪ : ৩৭
অনাখৰী : ৪১
বীৰ হনুমান : ৪৫
মাটি খোৱা কাম : ৫৩
গোঁজেই গজালি : ৫৮
প্ৰকৃতিৰ বিস্ময় : ৬৩

*

চান্দমামা

খনে : ৩ ০০ বছৰেকীয়া বৰঙণি ৩৬·০০টকা মাথোন

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

JUNIOR
QUEST
NOW with the added fun of SPUTNIK Junior!
JUNIOR
QUEST
Where finding out is fun
Zoom behind the scenes with Batman!
Marvel at the fiery sun!
Get set for the Beijing Asiad!
incorporating
Selections from Sputnik Junior!.
* Colourfully illustrated stories and cartoons.
* Superb science fiction
* Entertainment and general knowledge
64 packed pages!
At just Rs. 5/-
Sputnik Junior
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies,
Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A Chandamama Vijaya Combines publication

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

মাতৃ-উপাসনা

সম্প্রাত আমি 'মাতৃ-উপাসনা' অৰ্থাৎ দুৰ্গা গোসাঁনীৰ উপাসনা কৰিলোঁ. মাতৃৰ নামত উৎসৱ পাতিলোঁ। এই মাতৃৰ-উপাসনা হ'ল পুৰুষ-পৰম্পৰাই চলি অহা অক্ষয় ধন। কিন্তু ভক্তিৰ অবিহনে এই মাতৃ-উপাসনা নিৰৰ্থক। এই উপাসনাৰ পৰিপ্ৰেক্ষিতত ইয়াকো ক'ব পাৰি যে এই গোসাঁনী তথা মাতৃ-উপাসনাৰ দৰেই 'মাতৃ ভূমি' আৰু 'মাতৃ-ধৰিত্ৰী'ৰ উপাসনাও একেই অৰ্থবহ। মাতৃ-ভূমি আৰু মাতৃ-ধৰিত্ৰীয়ে আমাক প্ৰতিপালন কৰে। এই কাৰণে মাতৃভূমি তথা মাতৃ-ধৰিত্ৰীৰ উপাসনা কৰা আমাৰ কৰ্তব্য। মাতৃ-ভূমিৰ বা মাতৃ-ধৰিত্ৰীৰ অনিষ্ট হ'ব পৰা কোনো কাম আমাৰ কৰা উচিত নহয়। অৰণ্য-পৰ্বত নদ-নদী সমন্বিত মাতৃ-ধৰিত্ৰী দূষিত হ'ব পৰা কোনো কাৰ্য্য আমাৰ কদাপি কৰা উচিত নহয়।

মাতৃ-ধৰিত্ৰীক আমি যদি প্ৰদূষণ-মুক্ত কৰিব পাৰোঁ, মাত্ৰ তেতিয়াহে আমাৰ মাতৃ উপাসনা প্ৰকৃততে সাৰ্থক আৰু সফল হ'ব।

বছৰ : ১৫   নভেমবাৰ ১৯৯০   সংখ্যা : ৮

খনে : ৩'০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬'০০ টকা



যিয়েই খায়, বন্ধু হৈ যায়!
নিৰ্জু-দন্দুৰা, গেবেলা-লেৰেলা, দীঘলা-কঁটীয়া ... সকলোকে বন্ধু কৰি তোলে নতুন হাজমোলা কেন্ডীৰ টেঙা-মিঠা সোৱাদে। নকৰিবই বা কিয়, এই নতুন কেন্ডীবোৰৰ কথাই-বেলেগ। এইবোৰ সৰু সৰু পিল' পেকত পোৱা যায়। খেলিবলৈকে যোঁৱা বা ফুৰিবলৈকে যোৱাঁ –সকলো সময়তে লগত লৈ ফুৰিব পাৰি। পাৰ্টি, পিকনিক, ঘৰ বা আনকি স্কুলতো এই নতুন হাজমোলা কেন্ডীৰ টেঙা-মিঠা সোৱাদ নিজেও লোঁৱা আৰু আনকো দিয়া আৰু সকলো বন্ধু হৈ যোৱাঁ।
নতুন
টেঙা-মিঠা
Hajmola®
CANDY
Hajmola
CANDY
everest/d90/DIL/265 as

ফিজিৰ ফাপৰত পৰা ভাৰতীয়

নৈঋত অৰ্থাৎ দক্ষিণ-পশ্চিম প্ৰশান্ত মহাসাগৰত ১৬৪৩ চনত যি ৮০৭ দ্বীপ আৱিষ্কাৰ কৰা হৈছিল, সেই সমুদয় দ্বীপক একেলগে 'ফিজি' বুলি কোৱা হয়। ১৮৭৪ চনত ফিজি বৃটিছ সাম্ৰাজ্যভূক্ত হ'ল। ১৮,৩৭৬ বৰ্গ-কি. মি. ৰ বিশাল দ্বীপপুঞ্জ ফিজিৰ জনসংখ্যা আছিল সৰ্বমুঠ চাৰে সাত লাখ। ফিজিৰ ৰাজধানী নাম 'চুবা'।

উনবিংশ শতিকাৰ শেষৰ ফালে ভাৰতৰ পৰা হাজাৰ-বিজাৰ কৃষি-বনুৱা ফিজিলৈ কুঁহিয়াৰ খেতিত কাম কৰিবলৈ গৈ তাতেই বসতি কৰিলে। পাছত এওঁলোকৰ বংশধৰসকল ফিজিৰ আৰ্থিক তথা সাংস্কৃতিক ধাৰক-বাহক হৈ পৰিল।

১৯৭০ চনত ফিজি স্বাধীন হ'ল। বৰ্তমান ফিজিৰ শতকৰা ৫০ ভাগ হ'ল ভাৰতীয় বংশোদ্ভূত, শতকৰা ৪৭ ভাগ হ'ল মেলনেছিয়ান আৰু বাদবাকী ৩ ভাগ হ'ল ইউৰেশিয়ান আৰু চীনদেশীয়।

গণতান্ত্ৰিক নিয়মানুসাৰে নিৰ্বাচনত বিজয়ী হৈ ভাৰতীয় বংশোদ্ভূত ডঃ তিমোছি বভদ্ৰা ফিজিৰ প্ৰধানমন্ত্ৰী হৈছিল। কিন্তু ফিজিৰ সেনাধ্যক্ষ জেনাৰেল ছিটিৱেনি ৰাবুক্যাই অকস্মাৎ বিদ্ৰোহী হৈ বভদ্ৰাৰ মন্ত্ৰিমণ্ডল ধাৰিজ কৰি দিলে।

জেনাৰেল ৰাবুকাৰ বক্তব্য হ'ল যে— ফিজিৰ প্ৰকৃত তথা আদিম অধিবাসী মেলনেছিয়ান কাৰোবাকহে ফিজিৰ প্ৰধানমন্ত্ৰী পাতিব লাগে। ৰাবুকাই নিজেই নিৰ্বাচনৰ যোগেদি নিৰ্বাচিত হৈ ফিজিৰ প্ৰধানমন্ত্ৰী হ'বলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই উদ্দেশ্য সাধনৰ বাবে তেওঁ এক নতুন বিধি জাৰী কৰিছে— যি বিধি অনুসাৰে জনসংখ্যাৰ ৫০ ভাগ হোৱা সত্বেও কোনো ভাৰতীয় বংশোদ্ভুতই নিৰ্বাচনত বিজয়ী হ'লেও কদাপি এই দেশৰ প্ৰধানমন্ত্ৰী হ'ব নোৱাৰিব।

ৰাবুকাৰ এনে কাৰ্য্যৰ ফলত ফিজিৰ ভাৰতীয় বংশোদ্ভুতসকল যি অথন্তৰত পৰিছে সি অবৰ্ণনীয়।

পৰ্যটন আৰু কুঁহিয়াৰ উৎপাদনেই হ'ল ফিজিৰ অৰ্থনীতিৰ প্ৰাণকেন্দ্ৰ। দেশৰ এনে অৰাজক অৱস্থাই এই প্ৰাণকেন্দ্ৰক তিলে তিলে ধ্বংস কৰিব ধৰিছে। ৰাবুকাই যদি সৎ আচৰণ সৎ চিন্তা সৎ ভাবনাৰে চালিত নহৈ স্বৈৰতান্ত্ৰিকতাকে চলাই যায় তেনেহ'লে ফিজিক আৰ্থিক দিশত ধ্বংসমুখিতাৰপৰা অতি সুনিশ্চিন্তভাবেই কোনেও ৰক্ষা কৰিবৰ নোৱাৰিব।



যৌতুকী জ্বৰ

ৰবি হ'ল চৰকাৰী চাকৰিয়াল। বয়সত যুৱক, যদিও ৰবিয়ে বিয়া-বাৰু কৰোৱা নাই। বিয়া-বাৰু কৰাৰ কথাত ৰবিৰ কোনো ধৰণৰ খৰ-খেদাও নাই। কিন্তু ৰবিয়ে আনৰ বিয়া খাবলৈ ভাল পায়। সি আজিও এজন বন্ধুৰ বিয়া খাবলৈ গ'ল। গ'ল—কিন্তু গৈ এইবাৰ ভোল গ'ল। ভোল গ'ল—বিয়াঘৰত এজনী গাভৰুক চাই—যিজনী দেখাত আতোলতোল।

আৰ-তাৰ পৰা খবৰ-বাতৰি লৈ ৰবিয়ে গম পালে যে এইজনী দুখীয়া পৰিয়ালৰ পুতলী। পিছে—অলপো পলম নকৰাকৈ ৰবিয়ে এই স্বাতীজনীৰ মাক-দেউতাকক লগ ধৰি নিজৰ চিনাদি নিজেই দিলে আৰু ক'লে, "মই এজন চৰকাৰী চাকৰিয়াল। বহু বছৰৰ আগতে দেউতা স্বৰ্গী হ'ল। মা জীয়াই আছে। মই বিয়া কৰোৱাটো মোৰ মাৰো ইচ্ছা; কিন্তু তেওঁক জোখে-জোখাৰে যৌতুকৰ ধন লাগে, বস্তু-সামগ্ৰী লাগে। পিছে—মই—যদি আপনালোকৰ আপত্তি নাই—স্বাতীক মই বিয়া কৰাম, আৰু আজিয়েই—মোৰ বন্ধুৰ বিয়াৰ লগনতে—একেখন ৰভাতলিতে স্বাতীক বিয়া কৰাম—যদি আপোনালোকে তাইক দিয়ে। মা-ক কৈ লাভ নাই, তেওঁ এই বিয়াত মত নিদিয়ে। বিয়াখন পাতি পেলোৱাৰ পাছত—কথা বেলেগ হ'ব। কয় যদি—আজিয়েই পাতি যাওঁ বিয়া।"

স্বাতীৰ মাক-দেউতাকে আৰুনো কি ক'ব? দিলে সন্মতি। হ'ল বিয়া; লৈ গ'ল ঘৰলৈ ন-ঘৈণী ৰূপত ৰাং চৰা স্বাতীক।

ললিতা লাহন



কিন্তু কিমান যে আচৰিতৰো আচৰিত কথা! পুতেক ৰবিয়ে যেতিয়া মাকক বিয়াৰ কথা বুজাই ক'লে, তেতিয়া একোৱে নহ'ল। সকলো কথা একাগ্ৰ-পতীয়াকৈ শুনাৰ অন্তত ৰবিৰ মাকে ন-বোৱাৰীক ক'লে, "আই, তুমি সোঁ ভৰিখনেৰে ঘৰৰ চৌকাঠ ডেই যাবা দেই!"

প্ৰকৃতাৰ্থত—শাহুৱেক দুৰ্গাই বিস্ময়-কৰভাৱে মৰম-কোমল আচৰণ কৰিলে ন-বোৱাৰীৰ লগত। স্বাতীৰ বুকুৰপৰা গধুৰ শিল এচটা যেন খহিল।

পাছদিনা ৰবি কামলৈ ওলাল। স্বাতীয়ে কুঁৱাৰপৰা পানী আনিবলৈ খোজ লোৱাৰ লগে লগেই শাহুৱেকে স্বাতীৰ পিছফালৰপৰা কৈ উঠিল, "বোলো ঐ স্বাতীনে খেকাৰথাতী—মোৰ ল'ৰাটোক তইনো কিহেৰে যাছু কৰিলি ঐ? যৌতুকৰ য'টোও নানিলি, সোমালিহি খাঁচনিয়াৰ-জনী হৈ? তোৰ আবুৰ-হুৰ্মত নাই?"

শাহুৱেকৰ কথা শুনি স্বাতীয়ে তাইৰ কপালত জুই লগা যেন পালে। তাই কোমল মাতেৰে ক'লে, "মা, যৌতুকৰ কথা মইনো কেনেকৈ কি ক'ম? তেৱেঁই দেখোন মোৰ মা-দেউতাক ধৰিছিলগৈ মোক আনিবলৈ। তেওঁ তো যৌতুকৰ কোনো কথা কোৱা নাছিল।"

"আৰু তই মৰতীয়েও চালি ধৰি পালিহি, নহয়নে? পিছে—সি চুৱা খোৱাই যেনিবা গৈছিলেই আৰু কৈছিলেইগৈ, তোৰ মাৰ-বাপেৰৰ আকল-বুধি বোলা বস্তু থাকিব নাপায়নে? মই ইপিনে ৰামনাথৰ ছোৱালীজনীক আনিম বুলি খাটাং কৰিছিলোঁ। যে—এতিয়ানো সিহঁতক কি কওঁ? ৰামনাথে যে এলাখ দিম বুলিছিল—এতিয়ানো ক'ত পাওঁ? সি শ' খোৱা শগুণে. তোক আনিলে—আনক; তোৰ মহৰিৰ তলৰ মহ হওক। কিন্তু তোকো মই নেৰিছোঁ। তোক মই দিনতে আন্ধাৰ দেখুৱাম। তোৰ তেলে



কামোৰে ধৰিছে যদি ধৰক—পিছে তোৰ তেল নঢ়কাকৈ মই নেৰিম জানিবি। আৰু শুন—মই কোৱা এইবোৰ কথা ৰবিৰ কাণত লগাৱ যদি—মই কুঁৱাত জঁাপ দি মৰিম, আৰু তয়ে অত্যাচাৰ কৰি কৰি মোক মাৰিলি বুলি লিখি থৈ যাম।” শাহুৱেকে বোৱাৰীয়েকক ক'লে আৰু সিদিনাৰেপৰাই শাহুৱেক দুৰ্গাদেৱীয়ে বোৱাৰীয়েক স্বাতীৰ ওপৰত কথাইপতি খোজেপতি দোষ-জগৰ খুচৰি উলিয়াবলৈ ধৰিলে আৰু লগতে ঘৰুৱা কাম-বন কৰা ছোৱালীজনীক কামৰপৰা একৱাই ঘৰৰ আটাইবোৰ কাম স্বাতীৰ মূৰৰ ওপৰত জাপি দিলে।

গধূলিৰ পাছত ৰবি যেতিয়া ঘৰলৈ উভতি আহিল তেতিয়া ৰবিৰ মাকে ৰবিক ক'লে, “অ' ৰবি, বোৱাৰীয়ে দেখোন কাম কৰা ছোৱালীজনীক কামৰ-পৰা একৱাই দিলে। বোৱাৰীয়ে হেনো নিজেই এইবোৰ কৰিব। আগলৈ—বেছিকৈ কাম কৰি কৰি যদি বোৱাৰী বেমাৰ-চেমাৰত পৰে—মোক নুদুবিবি ঐ!”

স্বাতী পৰিল মহা বিপদত। গিৰিয়েকক যে কথাবোৰ ক'ব—তাৰো উপায় নাই। যদি কয়—আৰু যদি তাৰ ফলত এই ৰণচণ্ডী শাহুৱেক কুঁৱাত জঁপিয়াই পৰেই—তেতিয়া কি হ'ব? গতিকে তাই কিলৰ খাৰ খায়েই থাকিল।

এদিন দুপাৰীয়াৰ সাজ ডিঙিলৈকে খাই—ঠেং পাৰি বহি লৈ—ৰবিৰ মাকে স্বাতীক মাতিলে। স্বাতীৰ যদিও বৰ ভোক লাগিছিল, তথাপি শাহুৱেকে মাতিছে যেতিয়া নাহি পাৰেনে? আহিল তাই। শাহুৱেকে ক'লে, “চা, মই ৰামনাথৰ দেখন-শুৱন ছোৱালীজনীক বোৱাৰী কৰি অনাহেঁতেন—কিমান সুখতে থাকিলো-হেঁতেন—জানিছনে নাই? এক—লাখ টকা! লাখটকীয়াজনী হৈ মহাৰাণীৰ দৰে আয়মেৰে জীৱন কটাব পাৰিলোহেঁতেন।

আৰু তই—শ খোৱা। শ'গুণৰ জীয়েৰ দুখৰ পাচি মূৰতলৈ সোমাইছহি যে—মইনো কাক কওঁ মোৰ দুখৰ কথা?—ৰঃ, চোবাম তোৰ মাৰৰ মাথা।"

এনেবোৰ কদৰ্য্য কথা শুনি শুনিয়েই স্বাতীৰ দিনবোৰ পাৰ হয়, ৰাতিবোৰ উকলে। কিন্তু তথাপি তাই গিৰিয়েক ৰবিক একো-এটাও নক'লে।

এবাৰ কিবা এটা বিশেষ কামত ৰবি দূৰণিবটীয়া চহৰ এখনলৈ যাবলগা হ'ল। ৰবিও গ'ল, স্বাতীও বেমাৰত পৰিল। জ্বৰ উঠিল। কিন্তু শাহুৱেকে তাইৰ এই জ্বৰৰ কথা জানিও নজনা হ'ল, দেখিও নেদেখা হ'ল। শাহুৱেকে ক'লে, "শুনিছ—ঐ মগনিয়াৰৰ বেটি, মই পচলা গাঁৱলৈ বিয়া খাবলৈ যাম আজি। কালিলৈ দুপৰীয়াৰ পৰতে ঘূৰিম। মোৰ খোৱা-বোৱাৰ ঠিকঠাক কৰি থ'বি, বুইছ নহয়?" এই বুলি কৈয়েই শাহুৱেক ওলাই গ'ল।

জ্বৰ উঠাত স্বতী বৰ দুৰ্বল হৈ পৰিছিল। তাইৰ কৰি-ধৰি একো খবৰ মন নগ'ল। দুৱাৰ-খিৰিকী মাৰি তাই শুই পৰিল।

মাজনিশা হঠাৎ দুৱাৰত খটখটনিৰ শব্দ উঠিল। স্বাতীয়ে কথমপি উঠি দুৱাৰ খুলিলে। তেতিয়া বাহিৰত বৰষুণ দি আছিল। বৰষুণত তিতিবুৰি এজনী যুৱতী দুৱাৰমুখত থিয় হৈ আছিল। স্বাতীয়ে ভিতৰলৈ সোমাই আহিবলৈ কোৱাত সেই যুৱতীজনী সোমাই আহিল আৰু স্বাতীক ক'লে, "মোৰ নাম বিজয়া। এই মাজনিশা আপোনাৰ টোপনি খতি কৰাত মই আপোনাৰপৰা ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। মই মোৰ সখি এজনীৰ বিয়ালৈ গৈছিলোঁ, তাৰ পৰা উভতি আহোঁতে আমাৰ গাড়ীখন বেয়া হ'ল। গাৰোৱান গ'ল গাড়ী মেৰামতি কৰাবলৈ, মই ওচৰতে আপোনালোকৰ ঘৰটো দেখা পাই বাধ্যত পৰি সোমালোঁহি।"

স্বাতীয়ে ক'লে, "যোৱা দুদিন ধৰি

মোৰ জ্বৰ উঠিছে। কিন্তু—আপুনি প্ৰথমতে তিতা কাপোৰ-কনি সলাওক, আৰু তাৰ পাছত সৌ বিছনাখনতে শুৱকগৈ।”

ৰাতি পুৱাল। স্বাতীয়ে সাৰ পালে। বিজয়াজনী তিমানতে ওলাবলৈ সাজু হৈছিল। স্বাতীয়ে বিজয়াক মাত লগাই ক’লে, “অলপ পাছত মোৰ শাহুআই আহি পাবহিয়েই। তেওঁৰ কাৰণে ৰান্ধি থ’ব লাগিব। নহ’লে—কথা হ’ব বেয়া।”

বিজয়াই হাত দাঙি স্বাতীক ৰখালে আৰু তাইক ক’লে, “আপুনি জ্বৰৰ গাৰে এতিয়াই ৰন্ধা-বঢ়া নকৰিব, অলপ শুই থাকক। আপুনি টোপনিৰ মাজত আপোনাৰ শাহুৱেৰাৰ কথা বহুত কিবা-কিবি কোৱা শুনিলোঁ মই। যৌতুক-টৌতুক লৈ নহাৰ কাৰণে তেওঁ আপোনাক সদায় যম-যাতনা দিয়ে—নহয় জানো?”

“আপোনাৰ ধাৰণা—সঁচাকৈ সঁচা। মোৰ শাহুআইক শকত পৰিমাণৰ যৌতুক লাগে। তেওঁক হেনো ৰামপুৰৰ ৰামনাথে একলাখ টকা দিলেহেঁতেন। কিন্তু আমাৰপৰা তেওঁ যে এপাইচীয়া এটাও নাপালে, সেই দুখতে তেওঁ কাতৰ।”

বিজয়াই ক’লে, “অ’—কথা তেন্তে এয়ে! শুনক—তেওঁ অহালৈকে মই বৈ থাকিম। মোক আপুনি আপোনাৰ

সৰুকালৰ সখি বুলি তেওঁক ক’ব। মই তেওঁক এনেকুৱা এক মন্ত্ৰ দিম, যি মন্ত্ৰৰ ফলত তেওঁৰ যৌতুকৰ জ্বৰ মাটুল পৰিব আৰু তেওঁ মাটি যেন হ’ব।”

এনেতে স্বাতীৰ শাহুৱেক আহি পালেহিয়েই। তেওঁ বিজয়াক সুধিলে, “অ’ আই—তুমিনো কোন? তোমাক আগে কাহানিও—”

“নাই দেখা।” বিজয়াই হাঁহি মাৰি কৈ উঠিল, “মই হলোঁ স্বাতাৰ সৰুকালৰ সখি। এঠাইলৈ গৈছিলোঁ বিয়ালৈ, উভতি যাওঁতে স্বাতীক মাত লগাই যাম বুলি সোমালোঁহি আৰু—”

"অ'—।" দুৰ্গাই ক'লে, "বোৱাৰী, তুমি জলদিকৈ ৰান্ধাগৈ যোৱা।"

বিজয়াই কৈ উঠিল, "সঁচা—স্বাতীৰ ভাগ্য যে কিমান ভাল! একেবাৰে নিজৰ মা হেন শাহুআই পোৱাটো ভাগ্যৰে কথা। আৰু—" ক্ষন্তেকমান ৰৈ পুনৰ তাই ক'লে, "ৰামপুৰ নামৰ গাঁৱত আমাৰ এঘৰ কুটুম আছে। তেওঁৰ নাম ৰামনাথ। তেওঁ তেওঁৰ ছোৱালীজনীক ভাল ঘৰ-বৰ চাই বিয়া দিলে, কিমান যে নগদে-বস্তুৰে দিলে। কিন্তু তাৰে কি হ'ল?—তেওঁৰ ছোৱালীজনীয়ে ইমান অত্যাচাৰ আৰম্ভ কৰিলে গিৰিয়েকক লৈ বেলেগ চৰু কৰিবলৈ, যে—তাইৰ শাহুৱেকে বোৱাৰীৰ অতিচাৰ অত্যাচাৰ সহিব নোৱাৰি চিপজৰীকে ল'লে।"

এই কথা কৈ, দুৰ্গাক দেওজ কীয়া কৰি তাৰ পাছত বিজয়া এসময়ত গুচি গ'ল।

এই ঘটনাৰ পাছৰপৰা স্বাতীৰ শাহুৱেক একেবাৰে জঁয় পৰা যেন হৈ পৰিল। তেওঁ আৰু ভুলতো স্বাতীক জলপা-কলা নকৰা হ'ল। বিজয়াই কি যে মাৰণ-মন্ত্ৰ দি গ'ল, বিজয়াইহে ক'ব পাৰিব।

এবছৰমানৰ পাছত হঠাৎ এদিন বিজয়াজনী পুনৰ স্বাতীহঁতৰ ঘৰলৈ আহিল। স্বাতী তেতিয়া ঘৰত অকলেই আছিল। বিজয়াই স্বাতীৰপৰা তাইৰ শাহুৱেকৰ আমূল পৰিৱৰ্তনৰ কথা শুনি হাঁহি হাঁহি ক'লে, "শুনা স্বাতী,এই কথা শুনি চঁক খাই নুঠিবা যে—ৰামপুৰৰ ৰামনাথদেউ মোৰেই দেউতা। এসময়ত ৰবিক মই মনে মনে ভাল পাইছিলোঁ। সেইহে, তোমাকো ভাল পাই অহুকাণে-পহুকাণে তোমাৰ দুখৰ কথা শুনি থিৰেৰে থাকিব নোৱাৰি কিবা এটা কৰিবলৈ আহিছিলোঁ। তোমাৰ শাহুৰেৰাক কিন্তু মোৰ আচল চিনাকি ভুলতো নিদিবা।" এই কথা কৈয়েই বিজয়া গুচি গ'ল।



১৩

[আগ-কথা : বসন্তৰ নেতৃত্বত বীৰসিংহৰ বিৰুদ্ধে বিদ্ৰোহী যুৱকসকলক বীৰসিংহৰ সেনাপতি কপালকণ্ঠৰ কবলৰপৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰোঁতে অকস্মাৎ মহাৰাজ শান্তিদেৱ নিহত হ'ল। লগে লগে ক্ৰুদ্ধ বসন্তই কপালকণ্ঠকো একে ঘাপে বধিলে। মৃত্যুৰ কেইমুহূৰ্তমানৰ আগতে মহাৰাজ শান্তিদেৱে যুৱৰাজ সন্দীপৰ কথা আৰু তাৰ পালক-পিতৃ মুনি জয়ানন্দৰ কথা বসন্তক কৈ গ'ল। আৰু তাৰ পাছত‥ ‥]

মৃত্যুৰ আগে আগে মহাৰাজ শান্তিদেৱে জয়ানন্দ মুনিৰ কথা তথা যুৱৰাজ সন্দীপৰ কথা যিখিনি কৈ গৈছিল, তাৰ সহায়ত বসন্তই সন্দীপৰ সৈতে দেখা কৰিলেগৈ।

বসন্তৰপৰা শান্তিপুৰ ৰাজ্যৰ অথান্তৰৰ কথা, তথা নীচ ষড়যন্ত্ৰী ৰাজদ্ৰোহী বীৰসিংহৰ অতিচাৰ অত্যাচাৰৰ কথা শুনি উত্তেজিত যুৱৰাজ সন্দীপ তেতিয়া বিহ-বৈৰী বীৰসিংহক তাৰ বাপেকৰ বিয়া দেখুৱাবলৈ সাজু হ'ল। কিন্তু বসন্তই যুৱৰাজক ৰখালে। বসন্তই যুৱৰাজ সন্দীপক ক'লে, "যুৱৰাজ! আপুনি এতিয়াই এই কামলৈ আগুৱাই যাব নালাগে। আপোনাৰ অস্তিত্বৰ কথা আমি এতিয়াই ধূৰ্ত বীৰসিংহক জানিবলৈ নিদিওঁ, তাক কাটি কাটি আমিয়েই ডেকুৰ দিম।"



এদিন ষড়যন্ত্ৰী ৰজা বীৰসিংহই তাৰ নতুন সেনাপতি সৰ্পদন্তক মতাই অনাই ক'লে, "শুনা সৰ্পদন্ত, শান্তিপুৰীয়া কেলেহুৱাজাকক আৰু যঁাচনিয়াৰ কুকুৰ সেই বসন্ত বোলাটোৰ নেতৃত্বত ৰজাকো দেও নোবোলা মূৰৰ বীজ মুগুচা বিদ্ৰোহী-হঁতক পনীয়ল পিটিকা দি তোমাৰ মতা-চিনটো আমাৰ আগত দাঙি নধৰিলে নহ'ব। এই বিদ্ৰোহী বোলাবিলাকৰ আচল ডেৰা হ'ল সেই অৰণ্য। আমাৰ সৈন্যহঁতে তাত সোমাই এইবোৰক নচঁচা শূলত নিদিলে নহৈছে আৰু।"

"হয় মহাৰাজ! মই এতিয়াই এই জংঘল উবাৰ কৰিহে এৰিম।" সৰ্পদন্তই সেকেটা-সেকেটি কৰি ক'লে।

"ন্—নহয়, তোমাৰদ্বাৰা নহ'ব—মই নিজেই ওলাম।" বীৰসিংহই ক'লে।

শুনি—সৰ্পদন্তৰ মুখখন ক'লা পৰিল। সি বীৰসিংহই দিয়া এই ঠোঁঠোমা একুৰা খেকেৰা ঠহাটি কলপ্‌কৈ গিলি পেলাই হজম কৰি পনীয়া কণ্ঠেৰে ক'লে, "মাফ কৰিব মহাৰাজ! কথা এটা কওঁ। আন কোনোবা ৰাজ্যৰ শত্ৰুৰ আক্ৰমণ কৰে যদি—আপুনিয়েই নেতৃত্ব দিয়াটো উচিত হ'ব। কিন্তু নিজ-ৰাজ্যৰ বিদ্ৰোহীমখাকো যদি আমি ডাঙৰে ঠাণ্ডা কৰিব নোৱাৰোঁ তেনেহ'লে আমিনো কি ঘাঁহ কাটিম?"

প্ৰকাৰান্তৰে প্ৰশংসাৰ গোন্ধ পাই বীৰসিংহৰ বুকুখন যেনিবা ঢোলটো হৈ ফুলি উঠিল। বীৰসিংহই মিচিকীয়াই হাঁহি মাৰি ক'লে, "কথা—হওঁতে ঠিকেই কৈছা। পিছে—মই ৰজাৰ সাজত নোলাম; চিকাৰীৰ ভেশতহে ওলাম। জংগলত আমি পহু চিকাৰ কৰাৰ ভাও জুৰিম আৰু —এই দৰে বিদ্ৰোহীমখাৰ আও-ভাও জানিব পাৰিম আৰু সিহঁতবিলাকক কচুকটা দিম। —মোৰ আঁচনি কেনে?"

"অহ্! বঢ়িয়া মহাৰাজ! এই আঁচনিৰ জৱাব নাই।" সৰ্পদন্তই

শলঠেকত পৰিও শলাগ ল'লে।

"ঠিক আছে—ঠিক আছে, হ'ব। এতিয়া ওলাবলৈ সাজু হোৱা।"

পাছদিনা সহচৰৰূপী সৈন্যইঁতক লগত লৈ বীৰসিংহ সেই অৰণ্যলৈ গ'ল। শান্তিপুৰৰ সীমান্তত থকা এই মহাৰণ্যৰ যি ঠাইত বীৰসিংহই চিকাৰৰ ভাও জুৰি তম্বু তৰিলে, এই অৰণ্যৰ সেইখিনিতে আছিল মুনি জয়ানন্দৰ আশ্ৰম।



বীৰসিংহই সেই ঠাই টুকুৰাৰ চাৰিউ-ফালে ভালকৈ নিৰীক্ষণ কৰাৰ অন্তত সৰ্পদন্তক ক'লে, "শুনা. মই আজি বাঘ, ভালুক আদি হিংস্ৰ জন্তু চিকাৰ কৰাৰ ভাও দিম। তোমালোকে দবা-নাগেৰা আদি কোবাই-বজাই জংলী জানোৱাৰ-বিলাকক খেদি অনাৰ ভাও দিবা আৰু সেই বিদ্ৰোহীমখাক বিচাৰি উলিয়াবলৈ সকলোতে চকু ঘূৰাই থাকিবা।"

লগে লগে সৰ্পদন্তই এই ব্যৱস্থা হাতত ল'লে আৰু একেলগে একুৰি নাগেৰাৰ কোবত এই শান্ত অৰণ্য অকস্মাৎ অশান্ত হৈ উঠিল। আৰু—এই বিকট শব্দ শুনি জয়ানন্দ মুনিৰ শিষ্য এজন সেই ফাললৈ দৌৰি দৌৰি গৈ থাকিল।

অলপ পাছত মুনিৰ শিষ্যজনে মুনিক বীৰসিংহৰ উপস্থিতিৰ কথা ক'লেগৈ।

মুনি জয়ানন্দই কোনোবা গুপ্তঠাইলৈ যুৱৰাজক সংগোপনে লৈ যোৱাৰ কথা কৈ মুনিয়ে সেই মইনা চৰাই মল্লিক ক'লে, "মল্লি, এতিয়াই গৈ বাঘ, ভালুক, হস্তী আদিক সাৱধান হৈ থাকিবলৈ কোৱা।"

মল্লি মুহূৰ্ত্ততে উৰি গুচি গ'ল।

কিন্তু আমাৰ সেই ভল্লুকী ইতিমধ্যেই বিপদত পৰা হৈছিল। অকস্মাৎ ইমান নাগেৰাৰ বিকট শব্দ উঠাত ভয় খাই ভল্লুকীয়ে যুৱৰাজক বিচাৰি ওলাইছিল আৰু যুৱৰাজৰ সুৰক্ষাৰ কথা ভাবি বিভ্ৰান্তৰ দৰে লৰা-ধপৰা কৰি থাকোঁতে বীৰসিংহৰ চকুত পৰি গৈছিল।

বৰ বঢ়িয়াকৈ মেৰামতি কৰিছা! আৰু এইদৰে বদমাছবোৰ বদমাছ বিদ্ৰোহী-বেটাহঁতকো জালত পেলাবা।"

"হয় মহাৰাজ, তাকে কৰিম।" কৈয়েই সৰ্পদন্তক অলপ আগুৱাই গ'ল।

কিন্তু অকস্মাৎ কোনোবাই তাক কৈ উঠিল, "ৰ'ব!"

সৰ্পদন্ত আৰু আন সকলোটিয়েই চাৰিওফালে চাবলৈ ধৰিলে।

তেতিয়া জয়ানন্দ মুনিয়ে আত্মপ্ৰকাশ কৰিলে আৰু ক'লে, "অনুগ্ৰহ কৰি মোৰ বক্তব্য শুনক। শান্তিপুৰৰ মহাৰাজ বা মহামন্ত্ৰী কোনোদিনেই এই অৰণ্যৰ শান্তি ভংগ কৰিবলৈ ইয়ালৈ অহা নাছিল। তেওঁলোকৰ কুলগুৰু এই অৰণ্যতে সদায় শান্তিপূৰ্ণ জীৱনযাপন কৰি আহিছে। সেই পৰম্পৰা বজায় ৰাখি আপোনালোক যদি এই ঠাই পৰিত্যাগ কৰি গুচি যায়—বৰ আনন্দিত হ'ম"

বীৰসিংহই ধেমালিৰ সুৰেৰে ক'লে, "ওঁ...ওঁ, এজন ৰজাই পৰম্পৰাৰ সৃষ্টি কৰে, আন ৰজাই সেই পৰম্পৰাকে পয়া লগা বুলি ভাবে, হে—হেঃ।"

"কোনো সৎ ৰজাই পৰম্পৰাক বিনষ্ট নকৰিব।" মুনিয়ে ক'লে।

ভল্লুকীক দেখা পায়েই বীৰসিংহই গৰ্জি উঠি সৈন্যহঁতক ক'লে, "ইয়াক পাক্‌ড়ো — ধৰা — ধৰি আনা — ইয়াক জালত পেলোৱা।"

আৰু লগে লগে সৈন্যহঁতে ভল্লুকীক জালত বন্দী কৰি পেলালে। ভল্লুকীয়ে জাল ফালি ওলাই যাবলৈ চেষ্টা কৰাত সৰ্পদন্তই ভল্লুকীক সৌকাৰে উৰাই-ঘূৰাই কোবাবলৈ ধৰিলে।

এই দৃশ্য দেখি আৰু ভল্লুকীৰ ব্যৰ্থ গৰ্জন শুনি বীৰসিংহৰজাই দাঁত তুপাৰি আলুলৈকে উলিয়াই হাঁহিবলৈ ধৰিলে আৰু সৰ্পদন্তক ক'ল, "চা—ব্বাইচ!


RAZI

লগে লগে বীৰসিংহই চিঞৰি উঠিল, "এই জন্তুটোক শীঘ্ৰে মাৰি পেলোৱা।"

"এই জন্তুটো মুঠেই বদমাছ নহয়, বীৰসিংহ।" মুনিয়ে কৈ উঠিল, "তোমা-লোকে অবাবতে অন্যায়ভাবে ইয়াক অত্যাচাৰ কৰাতহে ই তোমালোকৰ ওপৰত ক্ৰুদ্ধ হৈ উঠিছে।"

"কি ক'লা ?" খন্তেক একোনাই হৈ পৰা বীৰসিংহই হাঁউৰি মাৰি মুনিক ক'লে, "হাঃ! মই হ'লোঁ এই দেশৰ ৰজা, আৰু তুমি মোক নাম কাঢ়ি মাতিছা! ইমানেই সাহস হ'লনে তোমাৰ দৰে ভিকহু এটাৰ ? মই—তোমাৰ ৰাজ্যতে সোমাইছোঁ যেনহে লাগিছে ? তুমি মোক গুচি যাবলৈ আদেশ দিছা! ইমানেই বেয়াদবিৰ দাঁত হ'লনে পাইকৰ বেটা গাইগোটাৰ ?"

"বোপা—এই ৰাজ্য মোৰো নহয়, তোমাৰোনহয়। এইৰাজ্য প্ৰকৃতিৰৰাজ্য।"

মুনিৰ এই কথা শুনি বীৰসিংহই বীৰদৰ্পে কৈ উঠিল, "সৰ্পদন্ত—সৈন্যইত! এই বে-তমিজ বাইলুং কোবোৱা মাগি খোৱাৰ পো-ক এতিয়াই বন্দী কৰা।"

সৰ্পদন্তৰ ইংগিত পাই কিছুমান সৈন্যই মুনিক বন্দী কৰিলে। আৰু লগে লগে সমগ্ৰ অৰণ্য যেনিবা অকস্মাৎ জাগি উঠিল। অৰণ্যৰ চুকে-কোণে হাজাৰ-

"এঁ—? তুমি কি ক'ব খুজিছা? মই সৎ ৰজা নহওঁনে কি?" মুনিলৈ কঠোৰ দৃষ্টিৰে চাই বীৰসিংহই ক'লে।

"তুমি সৎ ৰজা হোৱানে নোহোৱা সেই কথা নিজেই প্ৰমাণ কৰিব লাগিব।" মুনিয়ে উত্তৰ দিলে।

"প্ৰমাণ কৰিব লাগিব? কাৰ ওচৰত? তোমাৰ ওচৰতনে? তুমি মোৰ বিচাৰকৰ্তানে কি? তুমি ইমানেই অহংকাৰীনে? মই মন কৰিলে—"

ঠিক সেই মুহূৰ্তত কেনেবাকৈ জাল ফালি ভল্লুকী ওলাই আহিল আৰু এটা সৈন্যক ভৰিৰে গুৰিয়াই বগৰাই পেলালে।

বিজ্জাৰ চৰাই একেলগে চিঞৰি উঠিল, আৰু পাছ মুহূৰ্ততে অৰণ্যৰ বুক ফালি এডাল চোকা কাঁড় বীৰসিংহৰ এহাতমান আঁতৰত মাটিত পোত খাই পৰিল।

এই কাঁড় আছিল এখিলা কাগজ। সৰ্পদন্তই কাগজখিলা বুটলি লৈ আহিল আৰু বীৰসিংহক দিলে। কাগজখিলাত লিখা আছিল ঃ

'বীৰসিহ, 'মন কৰিলে—কাঁড়ডাল মাটিত বিদ্ধ নকৰাকৈ তোমাৰ বুকুতো বিদ্ধ কৰিব পাৰিলোহেঁতেন। কিন্তু ইমান নীচ কাম আমি কদাপি নকৰোঁ। যি কি নহওক—ভল্লুকীক মুক্তি দি অহা বাটে উভতি খোজ লোৱা।'

এই পত্ৰ পঢ়ি বীৰসিংহৰ খঙে চুলিৰ আগে পালেগৈ। বীৰসিংহই সৰ্পদন্তলৈ চাই চিঞৰি আদেশ দিলে, "এই কঁড়ীয়াটোক ধৰি আনা। সি এইখিনিতে ক'ৰবাত লুকাই আছে নিশ্চয়।"

সৰ্পদন্তৰ ইংগিতত সৈন্যহঁতে একোটাকৈ হনুমন্ত-জাঁপ মাৰিও কোনপিনে চোঁচা ল'ব ঠাৱৰ কৰিব নোৱাৰি পুনৰ ভিজা-মেকুৰীৰ দৰে হৈ ধুপুচকৈ বহি দিলে। তাৰ পাছত—সৰ্পদন্তকে দাঁত নিকটোৱা দেখা পাই আটাইবিলাকেই যি যেনিয়েদি পাৰিলে উবাজুখাতে দৌৰ লগালে।

কিন্তু তথাপি পত্ৰত লিখা কথাখিনি মনত পৰাত বীৰসিংহৰ বুকুত ঢেঁকীয়ে বানিবলৈ ধৰিলে। বীৰসিংহই তাৰ দেহৰক্ষীক ক'লে, "আমি ইমমান দূৰলৈ গুচি আহিলোঁ, আৰু এটা ভালুক আৰু সেই দৰেই দঢ়ীয়া বুঢ়া এটাক পালোঁ। ইমানতে তুষ্ট হৈ হৃষ্ট মনেৰে আমি এতিয়া ৰাজধানীমুৱা হোৱাহে ভাল হ'ব। কাঁড়ী বদমাছটোক আমাৰ সহিয়াল-পাহুৱাল সৈন্যহঁতে পাক্‌ড়াও কৰিব নোৱাৰিবনে কিবা? এটা সামান্য কাঁড়ীক ধৰিবলৈ আমি গান্ধী মাৰি হাত গোন্ধাব নালাগে!" কৈয়েই বীৰসিংহই উভতি খোজ ল'লে।

আৰু ঠিক সেই মুহূৰ্ততে সৈন্যহঁতৰ মাজত চিঞৰ-বাখৰ উঠিল। সিহঁতে কৈ উঠিল, "মহাৰাজ! আমিও যাম, আমাকো লৈ যাওক। জংগলৰ ভয়ংকৰ জন্তুবিলাকে আৰু সাপবিলাকে আমাক আক্ৰমণ—"

"আহ তেন্তে মেখেলাৰ বনগুটহঁত!" বীৰসিংহই আমনি পাই চিঞৰি দিলে।

কিন্তু ইতিমধ্যে অৰণ্যৰ বুকু ফালি যতমানে হিংস্ৰ জন্তু-সৰীসৃপ — খণ্ডতে গৰজি গৰজি বীৰসিংহৰ সৈন্যহঁতক খেদি আহিবলৈ ধৰিলে। অৰণ্য তোলপাৰ হ'ল। বাঘৰ হাওৰণি অন্যান্য জন্তুৰ গিৰ্জনি, সাপবিলাকৰ ফোঁচফোঁচনিৰে অৰণ্যৰ ৰূপ ভয়ানক হৈ উঠিল। এটা বিৰাট মলুৱা গছৰ ওপৰৰপৰা পোনেই বীৰসিংহৰ ওপৰত জঁপিয়াই পৰিল আৰু বীৰসিংহৰ মূৰত মুকুটিয়াই মুকুট কাঢ়ি ল'লে আৰু লগতে সৰ্পদন্তৰ পাগুৰিটোক লৈ পগাৰ পাৰ হৈ দিলে।

এইদৰে, বিপদ কেউপিনৰপৰা উৰ্মি উঠা দেখি, এনেকৈ বিঘাত মৰণে মৰাতকৈ বীৰসিংহই তাৰ সৈন্যহঁতক দলনিত পোনা মেলা দি মেলি পলাই ঘিটিং মাৰিবলৈ তুৰন্তে জঁাপ মাৰি ঘোঁৰাটোৰ পিঠিত উঠি দিলে আৰু সৰ্পদন্তক ক'লে, "এতিয়া ব'লা জান্ বঁচাও, পাছত কেতিয়াবা সুবিধা পালে কাঁড়টোক গুটনি দিয়া যাব।" তাৰ পাছত সৈন্যহঁতক ক'লে, "তোমালোক যি যেনেকৈ যিপিনে পাবা লৰ ধৰা।"

এই কাৰ্য্যৰ পৰিণামত যে সৈন্যহঁতৰ মাজতে বিষবৃক্ষ গজি উঠিব, সাত বিছুৰ সৈয়া কনি, শালচকুৱা, সলি সিয়ান বীৰসিংহই বঢ়িয়াকৈয়েই জানিছিল।

বীৰসিংহ-সৰ্পদন্তহঁতক নেগুৰ ছিগা লৰ দি পলাই যোৱা দেখি, এটা সৰু টিলাৰ ওপৰত উঠি, থিয় হৈ দুয়োখন হাত ওপৰলৈ দাঙি বসন্তই আক্ৰমণমুখী জন্তুবিলাকক শান্ত কৰিলে। [আগলৈ

মুখিয়াল আৰু ৰজা

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্যই পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা বিৰাট মৃত-দেহটো গছৰ ডালৰপৰা নমাই আনি, পুনৰ ভয়ানক মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে বিক্ৰমাদিত্যক কৈ উঠিল, "হে ৰাজন্, ৰাজপ্ৰাসাদত জীৱন অতিবাহিত কৰিব পৰা হৈও তোমাৰ এনে দূৰদৃষ্ট তথা দুৰ্দশা দেখি মোৰ ভট্টলোল্লকৰ কাহিনী মনত পৰিছে। ভট্টলোল্লকে স্বজাতিৰ বিৰুদ্ধেই অস্ত্ৰধাৰণ কৰিবলগা হৈছিল। তোমাৰ ক্ষেত্ৰতো যদি কথা তেনেকুৱা কিবা হয়, মই আচৰিত নহওঁ। যি কি নহওক, এতিয়া তোমাক মই ভট্টলোল্লকৰ কাহিনী কওঁ শুনা।" এই বুলি কৈ বেতালে সেই কাহিনী ক'বলৈ ধৰিলে :

'বেতাল-কথা'



সুপ্রাচীনকালত বিন্ধ্য পৰ্বতৰ নামনিত থকা অৰণ্যত বিভিন্ন খেলৰ আৰণ্যক সম্প্রদায়ৰ মানুহ বসবাস কৰিছিল। তীৰন্দাজী, তৰোৱাল-খেল আৰু মাল-যুঁজ আদিৰ পৰীক্ষাৰে এওঁলোক নিজ নিজ খেলৰ নেতা তথা মুখিয়াল হ'ব পাৰিছিল। এয়ে আছিল এওঁলোকৰ নিজ নিজ সমাজত মুখিয়াল হোৱাৰ পদ্ধতি।

এবাৰ যেতিয়া মুখিয়াল মৰিল তেতিয়া সকলো ধৰণৰ সাহসিক কাৰ্য্যত উত্তীৰ্ণ হৈ ভট্টলোল্লক মুখিয়াল হ'ল।

অন্যান্য আৰণ্যক উপজাতিৰ দৰেই ভট্টলোল্লকৰ সম্প্রদায়ৰো কিছুমান বিশেষ

বিশেষ আচাৰ-পদ্ধতি তথা বিধি-নিষেধ আছিল: এই সম্প্রদায়ৰ কোনেও শহাপহুৰ মঙহ কোনোপধ্যেই খাব নোৱাৰিব।

কিন্তু এদিন ভট্টলোল্লকৰ খেলৰ দুজন মথিয়নে (পণ্ডিতে) এজন যুৱকক ধৰি লৈ আহিল আৰু তেওঁলোকে ভট্টলোল্লকক ক'লে, "এই যুৱক আমাৰ খেলৰ হৈও শহাপহুৰ মাংস খোৱা হ'ল। ইয়াক আমি হাতে-কাপে ধৰিছোঁ।"

এই খীণ-মিন যুৱকক ভট্টলোল্লকে কথাটো সোধাত যুৱকে দুৰ্বল মাতেৰে ক'লে, "মই ভোকত অস্থিৰ হৈ উপায় নাপাই শহাৰ মাংস খালোঁ।"

"কাৰণ যিয়েই নহওক—তুমি ক্ষমাৰ অযোগ্য পাপ কৰিছা।" তাৰ পাছত ভট্টলোল্লকে মথিয়ন দুজনক ক'লে, "আমাৰ খেলৰ সকলোকে এই বিষয়ে সাৱধান কৰিব লাগিব আৰু এই যুৱকক আদৰ্শ দণ্ড দিব লাগিব। তোমালোকেএই যুৱকক সেই ভয়ংকৰ ভালুকৰ জংগলত এৰি দিয়াগৈ।"

ভট্টলোল্লকহঁতৰ অৰণ্যসীমাৰ সিপাৰে, একেটা পাহাৰৰ সিপিঠিত আন এক আৰণ্যক উপজাতি বাস কৰিছিল। এই উপজাতিৰ মুখিয়ালৰ নাম আছিল বেগমল্ল:

বেগমল্ল ভট্টলোল্লকহঁতৰ তাত বিভিন্ন

ঔষধি গছ-বন থকাৰ উপৰিও সেই অৰণ্যত বাঘ-হস্তী-পহু আদি বিভিন্ন জন্তুৰ সীমা-সংখ্যা নাছিল, মূল্যৱান হস্তীদন্ত তাত প্রচুৰ পোৱা গৈছিল বুলি জানিছিল।

ভট্টলোল্লকহঁতৰ থকা ঠাই অধিকাৰ কৰাৰ মনেৰে এদিন গধূলিৰ আগে আগে বেগমল্লই ভট্টলোল্লকৰ অৰণ্য-ৰাজ্য আক্রমণ কৰিলে। অতি বীৰতাৰে ভট্টলোল্লকে বেগমল্লক পৰাজিত কৰি বন্দী কৰিলে।

তাৰ পাছত — পৰাজিত বেগমল্লই ভট্টলোল্লকক প্রচুৰ সংখ্যক গাই-ম'হ-ভেড়া আদি উপঢৌকন দিয়াৰ উপৰিও ভট্টলোল্লকৰ অধীনতা স্বীকাৰ কৰিলে। তেতিয়া ভট্টলোল্লকে বেগমল্লক মুক্তি দিলে।

বেগমল্লৰ বিৰুদ্ধে বিজয়ী হোৱাত ভট্টলোল্লকৰ প্রতিপত্তি বহুত বাঢ়ি গ'ল।

এই বিজয়লাভৰ উৎসাহিত হৈ ভট্টলোল্লকে অন্যান্য আৰণ্যক উপজাতিকো আক্রমণ কৰি পর্য্যুদস্ত কৰিলে আৰু তাৰ পাছত—বৈশালীৰ মহাৰাজক কৰ-প্রদান আৰু লগতে বাঘৰ ছাল, হাতীৰ দাঁত আদি প্রদান কৰাৰপৰা বিৰত হ'ল।

এই কথাত বৈশালীৰ মহাৰাজ অতিপাত ক্রুদ্ধ হৈ উঠিল, আৰু তেওঁ ভট্টলোল্লকক শাস্তি দিবলৈ আক্রমণ কৰিলে।

বৈশালীৰ মহাৰাজৰ সৈন্য-সামন্ত

ভট্টলোল্লকৰ তুলনাত বহুগুণে অধিক আছিল, কিন্তু — ভট্টলোল্লকৰ তাকৰ সংখ্যক সৈন্যহঁতে গছৰ আঁৰ লৈ, ডাঙৰ ডাঙৰ শিলৰ আঁৰ লৈ, জোপা-জুপলিৰ মাজত লুকাই থাকি—প্রায় অদৃশ্য অৱস্থাত যুদ্ধ কৰি বৈশালীৰ সৈন্যবিলাকক পটাপট খতম্ কৰিবলৈ ধৰাত—বাকীবোৰ সৈন্যই ভয়ৰ কোবতে ফৰিং ছিটিকা দিলে।

তেতিয়া ভট্টলোল্লকে বৈশালীৰ মহাৰাজক বধ কৰি নিজক বৈশালীৰ ৰজা হিচাপে ঘোষণা কৰিলে।

বৈশালীৰ ৰজা হোৱাৰ পাছত ভট্টলোল্লকে আৰণ্যকহঁতকো বৈশালী ৰাজ্যৰ



নাগৰিকত্ব প্ৰদান কৰা হ'ল। কিছুমান বীৰ আৰণ্যকক ওখ পদতো মকৰল কৰা হ'ল।

চাওঁতে চাওঁতে একালৰ আৰণ্যকহঁত বৈশালীৰ পূৰ্ণ অধিকাৰপ্ৰাপ্ত হ'ল।

এদিন ভট্টলোল্লক যেতিয়া পৰিপূৰ্ণ ৰাজসভাত বহি আছিল, তেতিয়া ভট্টলোল্লকৰ খেলৰ মথিয়ন দুজনে এজন বন্দী যুৱকক লৈ ৰাজসভালৈ আহিল আৰু ৰজা ভলোল্লকক ক'লে, "মহাৰাজ, আমাৰ সম্প্ৰদায় এই যুৱকে আচাৰ ব্যৱহাৰৰ কথা ভালকৈ জনা সত্বেও আমাৰ সম্প্ৰদায়ৰ কন্যা এজনীক ভাল পাইছে আৰু আমাৰ সেই কন্যাক বিয়া কৰাবলৈ মন মেলিছে। ইয়াক কঠিন দণ্ড দিব লাগে।"

শুনি ভট্টলোল্লকে অলপ সময় ধৰি কিবাকিবি চিন্তা কৰি চালে আৰু তাৰ পাছত এই যুৱকৰ সৈতে সেই কন্যাটিৰ বিয়া নিজেই পাতি দিলে।

লগতে—ইয়াকো ঘোষণা কৰিলে যে এতিয়াৰপৰা নগৰৰ অধিবাসীৰ সৈতে আৰণ্যকহঁতৰ বিবাহত কোনো বাধা নাই।

এই ৰাজকীয় আদেশৰ কথা শুনি আৰণ্যকহঁত ক্ৰুদ্ধ হৈ উঠিল। এই আদেশেৰে যে আৰণ্যকহঁতৰ সমাজৰ গাত কুঠাৰেৰে ঘাপউৰা হৈছে—সেই কথাত আৰণ্যকহঁতৰ মথিয়নহঁতো একমত হ'ল।

আৰণ্যকহঁতৰ পালিনেতা কিছুমান ইমানেই উত্তেজিত হৈ উঠিল যে সিহঁতৰ মাজত এচামে ভট্টলোল্লকৰ ৰাজধানী আক্ৰমণ কৰিলেগৈ। ভট্টলোল্লকৰ খুড়াকৰ ল'ৰা ছিগাৰবেলে এই আক্ৰমণণ নেতৃত্ব দিলে। ভট্টলোল্লকে তথাপি এই আক্ৰমণক প্ৰতিহত কৰিবলৈ সৈন্য সমাবেশ কৰিলে।

ভট্টলোল্লকৰ সেনাপতিয়ে ভট্টলোল্লকক ক'লে, "মহাৰাজ, আপুনি নিশ্চয় জানিছেই — আপোনাৰ নিকটাত্মীয়য়েই আমাক আক্ৰমণ কৰিছে। গতিকে নিজ সম্প্ৰদায়ৰ মানুহক মৰা-কটা নকৰি—যদি ভাল দেখে—সন্ধি কৰিলে বেয়া নহ'ব।"

কিন্তু ভট্টলোল্লকে স্বজাতিৰ এই আক্ৰমণকাৰীহঁতক কচুকটা দিবলৈ এই সেনাপতিক আদেশ দিলে।

ভট্টলোল্লকে নিজেও স্বজাতিৰ মানুহবিলাকক বধিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, এজন আৰণ্যক যুৱকে ভোকত অস্থিৰ হৈ শহাপহুৰ মঙহ খোৱাত ভট্টলোল্লকে যুৱকক কঠোৰ দণ্ড বিহিছিল। কিন্তু—আন সম্প্ৰদায়ৰ যুৱক এজনে ভট্টলোল্লকৰ সম্প্ৰদায়ৰ ছোৱালী এজনীক বিয়া কৰাব খোজাত ভট্টলোল্লকে নিজৰ সম্প্ৰদায়ৰ সাতামপুৰুষীয়া বিধি-নিষেধলৈ উলংঘা প্ৰদৰ্শন কৰি সেই বিয়া পাতি দিছিল আৰু আনকি নতুন আইন তথা ৰাজাজ্ঞা প্ৰচাৰ কৰি এনেবোৰ বিবাহত অনুমোদন দিছিল আৰু এই ঘটনাত উত্তেজিত হৈ আক্ৰমণ কৰা স্বজাতিৰ আটাইবোৰ আক্ৰমণকাৰীক মাৰি পেলাইছিল। কিয় ভট্টলোল্লকে এনে পৰস্পৰবিৰোধী কাম কৰিলে? মোৰ প্ৰশ্নৰ উত্তৰ জানিও সঠিককৈ নিদিলে, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "ভট্টলোল্লক যেতিয়া কেৱল নিজ-সম্প্ৰদায়ৰ মুখিয়াল আছিল, তেতিয়া কেৱল নিজৰ সম্প্ৰদায়ৰ কথা ভাবিলেই হৈছিল। কিন্তু—বৈশালীৰ ৰাজ্যৰ ৰজা হোৱাৰ পাছত ভট্টলোল্লকে ৰজা হিচাপে ৰাজ্যৰ সকলো সম্প্ৰদায়ৰ মানুহ-মুনিহক সমান বুলি গণ্য কৰিব লগীয়া হৈছিল। গতিকে — ৰজা ভট্টলোল্লকৰ কাৰ্যক কোনোমতেই পৰস্পৰ-বিৰোধী বুলি কোৱাৰ থল নাই।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত — [ডব্লু টি. আৰ. প্ৰসাদ ৰচিত কাহিনী অৱলম্বনত।]

পাহৰা ধানৰ ভাত

ৰাজপুৰৰ ৰংগনাথক ৰাইজে 'পাহৰা ধানৰ ভাত খোৱা মানুহ' বুলি কৈছিল। ৰংগনাথে এতিয়াৰ কাম তেতিয়াই পাহৰি পেলায়। প্ৰতিদিনেই অৱস্থা একেই। এই কথাত ৰংগনাথে পৰিবাৰৰপৰা সদায় খেচা খায়; কিন্তু তথাপি ৰংগনাথৰ কোনো পৰিৱৰ্তন নাই, পাহৰি যোৱাৰ বিৰাম নাই।

এদিন পৰিবাৰে ৰংগনাথক ক'লে শান্তিনগৰৰপৰা বিধোবিধ বয়-বস্তু আনিবলৈ। শান্তিনগৰ হ'ল এই অঞ্চলৰ চহৰ। চহৰত হেনো সকলো বয়-বস্তু বৰ সস্তাত পায়।

ৰংগনাথে তলমূৰৰ হৈ পৰিবাৰক ক'লে, "শুনা, মই যে সকলো কথা তৎমুহূৰ্তে পাহৰি পেলাওঁ—তুমি জানাই। তাৰোপৰি—যিমানবোৰ বয়-বস্তুৰ কথা কৈছা—সিমানবোৰ মই মনত পেলাব পাৰিম জানো? তাতকৈ—কাম এটা কৰা, কাগজ এখিলাত বস্তুবোৰৰ নাম ভালকৈ লিখি দিয়া।"

পৰিবাৰ জানকীয়ে ক'লে, "বাহ্ বা! তেও ইমান দিনে পাহৰা ধানৰ ভাত খোৱা মগজুৰপৰা বুধি এটা ওলাল।" তাৰ পাছত জানকীয়ে হাঁহি হাঁহি বস্তু-বোৰৰ নাম লিখি ৰংগনাথক দিলে।

আৰু আমাৰ পাহৰা ধানৰ ভাত খোৱা ৰংগনাথ বপুৰায়ো তেতিয়াই চহৰলৈ বুলি খোজ ল'লে।

গধূলিৰ আগে আগে ৰংগনাথ চহৰৰপৰা উভতি আহিল। কিন্তু ৰংগনাথক শুদা হাতে উভতি অহা দেখি আচৰিত হৈ

'শিৱৰাম'

জানকীয়ে সুধিলে, "আটাইবোৰ বস্তুৰ নাম-লিখি লৈ গ'লা, তথাপি যে শুদা হাত—! সেই কাগজখিনা লৈ যাবলৈ পাহৰিলাইনে কি।"

ৰংগনাথে দাঁত ডুপাৰি আলুলৈকে উলিয়াই ক'লে, "এ—নহ—হয় দিয়া, কথা তেন্তুৰা নহয়। কাগজখিনা চোলাৰ জেপতে আছে। পিছে—বস্তু কিনিবলৈ পইচাহে লৈ যাবলৈ পাহৰিলোঁ।" এই বুলি কৈ ৰংগনাথে ঢেকঢেককৈ হাঁহি থকিল।

পাছদিনা ৰংগনাথ পুনৰ চহৰলৈ গ'ল। গৈ—মুনিচুনিতে উভতিও আহিল। কিন্তু এইবাৰো ৰংগনাথ—



শুদা হাত!

এইবাৰ জানকীয়ে ভুৰু কোঁচাই ক'লে, "মোক নোকোৱা-নোবোলাকৈয়েই চহৰলৈ গ'লা বাৰু গ'লা। —পিছে এইবাৰৰ কথা কি—?"

চেপাৰ মুখত পৰা যেন হৈ ৰংগনাথে থতমত খাই ক'লে, "আচল কথা—বুইছা হেৰা—মোৰ সময়েই বৰ বেয়া যেন পাইছোঁ। এইবাৰ—বোধ কৰোঁ কোনোবা জেপলুকাই মোৰ জেপৰপৰা বস্তু কিনা ধনখিনি লুকিলে।"

শুনি জানকীয়ে হাঁহিলে। জানকীয়ে ক'লে, "অহা সাত জনমতো তোমাৰ এই আলাভুলা মন-পাহৰণি নুগুচিব।"

"হাবে—সাতজনমৰ কথা সাতজনমৰ পাছে-পৰেও হ'ব বাৰু। এই জনমতনো কেনেকৈ কাম-বন চলাওঁ?" বিপৰ্হ্ৰা ৰংগনাথে ক'লে।

"মোৰো কথা হুবহু এয়ে, ঠিক মোৰ মনৰ কথাটো তোমাৰ মুখেদি ওলাল। বাৰু, যি হ'ল হ'ল, গ'ল কথা গুচিল। জেপলুকাৰ কথা পাহৰি পেলোৱা আৰু ভাবি চোৱাচোন—আন কিবা হ'লনে কি?" জানকীয়ে ক'লে।

জানকীৰ কথাত কিবা ৰহস্য থকা যেন পাই জানকীলৈ চাই চাই ৰংগনাথে

ক'লে, "মোৰ ইমান পাহৰণিৰ কাৰণ হয়তো মোৰ ভবাৰ শক্তি টুটি অহা। গতিকে—মোৰ হৈ তুমিয়েই ভাবি চোৱাচোন—কথা কি?"

ৰংগনাথৰ কথা শুনি জানকীয়ে হাঁহি মাৰি ক'লে, "কালি ৰাতি তুমি শোৱাৰ আগে আগে বস্তু কিনা ধনখিনি চোলাৰ জেপত থৈ দিছিলা। কিন্তু আজি চহৰলৈ যাওঁতে আন এটা চোলা পিন্ধি গৈছিলা।"

"অ! ইয়ে ব্যাত্। কথা এয়েহে! চহৰৰপৰা শুদাহতীয়াকৈ উভতি আহোঁতে ধনখিনি জেপলুকুকাই নিলে বুলি ভাবি—মোৰ নিজৰ ওপৰতে খং উঠিছিল। ঠিক আছে, আগলৈ যাতে আৰু ভুল নহয়, তাৰ বাবে কাম এটা কৰা যাব।" ৰংগনাথে জানকীক ক'লে।

"কি কৰিবা?" জানকীয়ে সুধিলে।

"বস্তুবোৰৰ নাম থকা কাগজ আৰু বস্তুকিনা ধন—একেলগে চোলাৰ জেপত ভৰাই সেই চোলাটো পিন্ধিয়েই মই শুই থাকিম. আৰু ৰাতিপুৱা চহৰলৈ যাম। —কথাটো কেনে দেখা?" নিজৰ বুদ্ধিমানীত নিজেই ৰং পাই ৰংগনাথে জানকীক সুধিলে।

"কথা—বঢ়িয়ায়েই কৈছা। পিছে—এতিয়া আৰু সেই কামটি নকৰিলেও হ'ব।" জানকীয়ে ক'লে, "তোমাৰপৰা চহৰীয়া বস্তু পোৱাৰ আশা নাই বুলি ভাবি মই আমাৰ চুবুৰীয়া গণেশকাইৰ হতুৱা বস্তুখিনি চহৰৰপৰা অনালোঁৱেই। আজি ৰাতিপুৱা তুমি চহৰলৈ যোৱাৰ পাছত তোমাৰ চোলাৰ জেপৰপৰা সেই কাগজখিলা আৰু টকাখিনি গণেশকাইক দিলোঁ। আৰু তুমি—চহৰৰপৰা শুদা-হতীয়াকৈ উভতি অহাৰ দুঘণ্টামানৰ আগতেই গণেশকাইৰপৰা বস্তুখিনিও পালোঁ। এতিয়া—এইবোৰ কথা তুমি একদম পাহৰি পেলোৱা।"



জ্ঞান-ভাণ্ডাৰ

তেওঁনো কোন

এগৰাকী কবি গীত ৰচনা কৰাত ব্যাপৃত হৈ থাকোঁতে হঠাৎ এঠাইত তেওঁৰ কাপ বৈ গ'ল। কিয়নো—ভগৱানৰ বিষয়ে কিবা এশাৰী লিখোঁতে তেওঁ দ্বিধান্বিত হ'ল--লিখিবনে নিলিখিব। তেওঁ বহু সময় ধৰি এই বিষয়ে চিন্তি থাকিল আৰু লিখি থকা তালপাতখিনি থৈ স্নান কৰিবলৈ সৰোবৰলৈ গ'ল। স্নানৰ অন্তত ঘৰলৈ ঘূৰি আহি পত্নীয়ে ভাত খাই থকা দেখি আচৰিত মানি পত্নীৰ এই কাৰ্য্যলৈ চাই থাকিল। কিয়নো—পত্নীয়ে সদায় পতিৰ খোৱা-বোৱাৰ পাছতহে খায়। আজি তেওঁৰ কি হ'ল?

কথাটো পত্নীক সোধাত পত্নীয়ে ক'লে, "অলপমান আগতে আপুনি আহি কিবা এশাৰী তালপাতত লিখি খাই-বৈ গ'ল নহয়?"

কবিয়ে তালপাতখিলালৈ চালে। তেওঁৰ মনৰ কথাফাকি তালপাতত পৰিষ্কাৰভাবে কোনোবাই লিখি থোৱা দেখা পালে তেওঁ। এই কামটি যে স্বয়ং ভগৱন্তয়েই কৰি দিলে আৰু ভগৱন্তয়েই যে ভাত এমুঠিও খাই গ'ল, সেই কথা উপলব্ধি কৰি কৰি পৰম আনন্দিত হ'ল।

এইজনা কবিনো কোন আছিল?

[উঃ ৩৬ পৃঃ]

আমি জানোনে?

১. ভাৰতে যেতিয়া স্বাধীনতা পালে তেতিয়া ভাৰতৰ জাতীয় কংগ্ৰেছৰ সভাপতি কোন আছিল?
২. কোনগৰাকী ৰজাই 'গংগৈকোড়' উপাধি প্ৰাপ্ত হৈছিল। এই উপাধি তেওঁক কিয় দিয়া হৈছিল?
৩, তেওঁ কোনথন চহৰ স্থাপনা কৰিছিল?
৪. ভাৰতীয় গণৰাজ্যই সুযোগ্য ব্যক্তিসকলক যি চাৰিবিধৰ উপাধি দিয়ে—সেইবোৰ কি কি?
৫. প্ৰাচীন ভাৰতৰ মহান ৰেখাগণিতজ্ঞ কোন আছিল?

[উঃ ৩৬ পৃঃ]

সিন্ধু ঃ ভূমি আৰু নদী



বিশ্বৰ সকলোতে ভাৰতক 'ইণ্ডিয়া' বুলি কোৱা হয়। এই 'ইণ্ডিয়া' নামটো সিন্ধু নদীৰ ইংৰাজি নাম 'ইণ্ডাছ'ৰপৰা উদ্ভুত বুলি কোৱা হয়। সিন্ধু নৈ কাশ্মীৰ আৰু পঞ্জাৱৰ ওপৰেদি বৈ আহি আৰব্ব সাগৰত পৰিছে। সিন্ধুৰ নদীৰ শাখা নৈ হিচাপেও বিৰাট বিৰাট নৈ—ছোহন, ঝিলম, চেনাব, শতদ্রু, বিপাশা ইত্যাদি প্রবাহিত হৈছে।

সিন্ধু নদীৰ তটস্থিত ভূ-ভাগ সিন্ধু বুলি অভিহিত হয়। হাজাৰ হাজাৰ বছৰৰ আগতে এই সিন্ধুত এক মহান সভ্যতা বিৰাজ কৰিছিল। পাঁচ হাজাৰ বছৰৰ আগতে নির্মিত মোহেন-জো-দড়ো আৰু হড়প্পা নামৰ এই নগৰ-জনপদদ্বয়ত বিৰাট বিৰাট আলি-পদূলি তথা ঘৰ-দুৱাৰৰ ভগ্নাৱশেষ পৰিলক্ষিত হৈছে।

তাম, কঁাহ-পিতল, ৰূপ, সীহ, আৰু সোণৰ সুদৃশ্য-আ-অলংকাৰো তাত পোৱা হৈছে। এই সুপ্ৰাচীন সিন্ধু-সভ্যতাৰ বহু নিদৰ্শন আজিও সযত্নে ৰক্ষিত আছে।

সিন্ধু নদীয়ে ভালেমান মহান সাম্ৰাজ্যৰ উত্থান আৰু পতন প্ৰত্যক্ষ কৰিছে। ভাৰতৰ প্ৰাচীন সাহিত্যত সিন্ধুভূমিৰ অতি মনোহৰ বৰ্ণনা পৰিলক্ষিত হয়। ইতিহাস প্ৰসিদ্ধ ভুৱনখ্যাত গ্ৰিক বীৰ দিগ্বিজয়ী আলেগজাণ্ডাৰে এই সিন্ধুদেশ আক্ৰমণ কৰিছিল। সিন্ধুৰ শেষ ৰজা মহাৰাজ দহিৰে ৭১১ চনত মুহম্মদ কাশ্বিমৰ বিৰুদ্ধে অতি বীৰতাৰে যুদ্ধ কৰি সেই যুদ্ধতে প্ৰাণত্যাগ কৰিছিল।

দুৰ্ভাগ্যক্ৰমে ১৯৪৭ চনত ভাৰতবৰ্ষৰ বিভাজন হ'ল আৰু সেই সুপ্ৰাচীন সিন্ধু পাকিস্তানৰ অংগীভূত হৈ পৰিল। সিন্ধুৰ উল্লেখযোগ্য নগৰ হ'ল কৰাচী।

সম্বাদ-বি-সম্বাদ



সবাতোকৈ ওখ

এই বছৰৰ জুলাই মাহৰ ৰিপ'ৰ্ট মতে—বাংলাদেশৰ পৰিমল বৰ্মন (২৬ বছৰ বয়স্ক) হ'ল বিশ্বৰ সবাতোকৈ ওখ মানুহ। এওঁ ২'৪৫ মিটাৰ বা ৮ ফুট ২ ইঞ্চি ওখ। ঢাকাৰ হাস্পতালত এওঁৰ বাবে আছুতীয়াকৈ তক্তাপোচ সজাবলগা হৈছিল!

বিন্ধাত পিন্ধাই বিশ্বৰেকৰ্ড

ভোপালৰ ব্ৰিজেশ শ্ৰীবাস্তৱ (২২ বছৰ বয়স্ক) নামৰ যুৱক এজনে এই বছৰৰ ১৫ জুলাইৰ দিনা এটা বেজিৰ (১৩ নং বেজি) বিন্ধাত কপাহৰ সূতা ৬০৬২ বাৰ ভৰাই বিশ্ব ৰেকৰ্ড কৰি গিনেছ বুক অভ্ ৰেকৰ্ডছত নাম উঠাব পাৰিছে!



সাহিত্যৰ কিঞ্চিত

১. মৃত্যুৰ দেৱতাই যিজন বালকৰ ওচৰত মৃত্যু-ৰহস্য বিদিত কৰিছিল, সেই বালক নচিকেতাৰ উল্লেখ কোন প্ৰাচীন গ্ৰন্থত পৰিলক্ষিত হয়?

২. ন'বেল বঁটা প্ৰাপ্ত কোনগৰাকী মহিলাই মাতৃত্ব, সন্তান, প্ৰকৃতি আৰু পৰমেশ্বৰক লৈ তেওঁৰ সমগ্ৰ কাব্যগ্ৰন্থ ৰচিছিল?

৩. তেওঁ কোন দেশৰ অধিবাসী আছিল?

৪. তেওঁ কেতিয়া ন'বেল বঁটা পাইছিল?

৫. ভাৰতত প্ৰবচন থকা মাতৃভাষাৰ সংখ্যা কিমান?

উত্তৰ

কোন?

গীত গোবিন্দৰ ৰচয়িতা জয়দেৱ।

জানোনে

১. ড° ৰাজেন্দ্ৰপ্ৰসাদ।

২. চোল-ৰজা ৰাজেন্দ্ৰই (খ্ৰীষ্টীয় ১১' শতিকা) গংগা-ৰজাসকলৰ ওপৰত বিজয়ী হোৱাত এই উপাধি গ্ৰহণ কৰিছিল।

৩. বৰ্তমান তামিলনাডুৰ গংগৈকোঁড়া চোলাপুৰম্।

৪. ভাৰত-ৰত্ন হ'ল সৰ্বোচ্চ উপাধি। তাৰ পাছত যথাক্ৰমে — পদ্মবিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী।

৫. আৰ্য্যভট্ট (৬ শতিকাত), বৰাহমিহিৰ (৬ শতিকা) ব্ৰহ্মগুপ্ত (৭ শতিকা), মহবীৰাচাৰ্য্য (৯ শতিকা) আৰু ভাস্কৰাচাৰ্য্য (১২ শতিকা)।

সাহিত্য

১. ঋগবেদত।

২. গাব্ৰিয়েলা মিস্ট্ৰল (১৮৮১-১৯৫৩)।

৩. চিলি।

৪. ১৯৪৫।

৫. ১৯৭১ চনৰ গণনামতে ৩০০।



শ্ৰীৰামকৃষ্ণ পৰমহংস

(৪)

এদিন এখন নাৱৰপৰা দেখাত আচৰিত ধৰণৰ নাৰী এগৰাকীক গদাধৰে নামি অহা দেখা পালে। এই নাৰীগৰাকীৰ হাতত আছিল ত্ৰিশূল আৰু তেওঁৰ দেহৰপৰা জ্যোতি ওলাইছিল। দেহৰ-পৰা জেউতি ওলোৱা এই নাৰীগৰাকী আছিল এগৰাকী তান্ত্ৰিক-ভৈৰৱী।

দেখামাত্ৰেই গদাধৰে এইগৰাকী ভৈৰৱীক, নিজৰ মাতৃৰ সমান বুলি অন্তৰত গ্ৰহণ কৰিলে আৰু তেওঁলৈ সাদৰ আহ্বান জনালে। ভৈৰৱীয়েও উপলব্ধি কৰিলে যে এই মানুহজন (গদাধৰ) দৰাচলতে এজন মহাপুৰুষ। তাৰ পাছত ভৈৰৱীয়ে গদাধৰক এক-মনে তন্ত্ৰ-ৰহস্য শিক্ষা দিবলৈ ধৰিলে।

এদিন ভৈৰৱীয়ে নিজৰ আৰাধ্য দেৱতালৈ নৈবেদ্য উছৰ্গা কৰি চকু মুদি দেৱতাৰ ধ্যান কৰি থাকোঁতে গদাধৰ তালৈ আহিল আৰু নৈবেদ্যখিনি খাই থাকিল। ভৈৰৱীয়ে চকু মেলি এই দৃশ্য দেখা পাই কিছু অবাক মানিলে। কিন্তু ভৈৰৱী অলপো ক্ৰুদ্ধ বা উত্তেজিত নহ'ল; বৰঞ্চ পৰম আনন্দিত হ'ল। কিয়নো--গদাধৰৰ ৰূপতে তেওঁৰ আৰাধ্য দেৱতাই যে নৈবেদ্য গ্ৰহণ কৰিছে সেই কথা তেওঁ ধ্যান যোগে জানিছিল।



মথুৰাবাবুৱে আয়োজন কৰা এক ধৰ্মালোচনা-সভাত ভৈৰৱীয়ে ঘোষণা কৰিলে যে—গদাধৰ হ'ল অবতাৰ। কিয়নো—শাস্ত্ৰানুসাৰে অৱতাৰৰ সকলো লক্ষণ গদাধৰৰ মাজত স্পষ্টৰূপে বিদ্যমান। ভৈৰৱীৰ এই কথাত সভাস্থ কোনেও আপত্তি উত্থাপন নকৰিলে।

একাৰ এগৰাকী সাধু অ'ত ত'ত ভ্ৰমি ভ্ৰমি দক্ষিণেশ্বৰলৈ আহিল। এই সাধুগৰাকীৰ লগত অতি ক্ষুদ্ৰ এটি মূৰ্তি আছিল। মূৰ্তিটি আছিল শ্ৰীৰামচন্দ্ৰৰ মূৰ্তি। এই সাধুগৰাকীয়ে সেই মূৰ্তিটিৰ সৈতে প্ৰায় জীৱন্ত মানুহৰ দৰে কথা পাতি থকালৈ গদাধৰে লক্ষ্য কৰিলে।





তাৰ পাছত গদাধৰ যেতিয়া নিজৰ কক্ষলৈ উভতি আহিব ধৰিলে, তেতিয়া ছায়ামূৰ্তিৰদৰে তেওঁৰ পিছে পিছে কোনোবা আহি থকালৈ মন কৰিলে। এই ছায়ামূৰ্তিয়ে পূৰ্ণ মূৰ্তি পৰিগ্ৰহ কৰিলে আৰু গদাধৰে দেখিলে যে এই মূৰ্তি হ'ল সেই শ্ৰীৰামচন্দ্ৰৰ পুতলাৰ আত্মাৰ সাকাৰ মূৰ্তি, যি পুতলাটিক সেই সাধুৱে 'ৰামলালা' বুলি মাতিছিল।

ৰামাললই গদাধৰক ইমানেই ভালপাই পেলালে যে ৰামলালাই গদাধৰক একোপধ্যে নেৰা হ'ল। গদাধৰে ৰামলালাক খুৱলে-বুৱালে, তাৰ সৈতে ধেমালি-ধুমুলা কৰিলে। সাধুগৰাকী যেতিয়া তেওঁৰ মৰমৰ ৰামলালক বিচাৰি আহিল, তেতিয়া ৰামলালা পলাল।

গদাধৰ যেতিয়া স্নান কৰিবলৈ যোৱা হয় তেতিয়া ৰামলালাকো লৈ যায়। গদাধৰে বাৰে বাৰে পানীৰপৰা উঠি আহিবলৈ কোৱাতো ৰামলালাই গদাধৰে শাস্তি-শলা দিব বুলি ভাবি উঠি নহা হয়। ৰামলালাই কান্দি থাকে। গদাধৰে তেতিয়া ৰামলালাক সান্ত্বনা দিয়ে।

এনেবোৰ কথা-কাণ্ডলৈ মন কৰি সেই সাধুগৰাকীয়ে এদিন গদাধৰক ক'লে, "বোপা, ৰামলালাই তোম্যক এৰি ক'লৈকো যাবলৈ নিবিচৰা হ'ল। গতিকে — ৰামলালা তোমাৰ লগতে থাকক, এই কথাত মই বেয়া নাপাওঁ।" সাধুৱে শ্ৰীৰামচন্দ্ৰৰ পুতলাটো গদাধৰৰ হাতত গটাই দি গুচি গ'ল।





এদিন তেতিয়াৰ কালৰ বিখ্যাত যোগী-পুৰুষ তোতাপুৰী দক্ষিণেশ্বৰলৈ আহিল আৰু তেওঁ গদাধৰক গংগাৰ ঘাটত বহি থকা দেখা পালে। তোতাপুৰীয়ে মুহূৰ্ততে উপলব্ধি কৰিলে যে মাত্ৰ এইজন মানুহেইহে তেওঁৰপৰা বৈদান্তিক জ্ঞান গ্ৰহণ তথা শিক্ষা কৰিব পাৰিব।

তোতাপুৰীয়ে গংগাৰ ঘাটত বহি থকা গদাধৰক সুধিলে. "তুমি মোৰপৰা বেদান্তৰ শিক্ষা গ্ৰহণ কৰিবানে?" গদাধৰে ক'লে, "মই মাতৃ-আজ্ঞা পালন কৰিম।" এই বুলি কৈ গদাধৰ কালী গোসাঁনীৰ ওচৰলৈ গ'ল আৰু পুনৰ তালৈ আহি তোতাপুৰীক ক'লে, "গুৰুদেৱ, মই প্ৰস্তুত।"





তাৰ পাছত এদিন উষাকালত একুৰা পবিত্ৰ অগ্নি প্ৰজ্জ্বলিত কৰা হ'ল আৰু যোগী তোতাপুৰীয়ে স্তোত্ৰ উচ্চাৰণ কৰিবলৈ ধৰিলে। গদাধৰে এই স্তোত্ৰ-সমূহ তোতাপুৰীৰ লগে লগে উচ্চাৰণ কৰি থাকিল। প্ৰাথমিক ধৰ্মাচৰণৰ কাৰ্য্যাদিৰ অন্তত তোতাপুৰীয়ে গদাধৰক সন্ন্যাসত দীক্ষা দিলে আৰু লগতে গদাধৰক দিলে এটি নতুন নাম। সেই নামটিয়েই হ'ল 'ৰামকৃষ্ণ'। [আগলৈ]

অনাখৰী

বহু কালৰ আগৰ কথা। কোনোবা এখন গাঁৱত এহাল হালোৱা-হালোৱানী আছিল। সিহঁতহালৰ নিজাকৈ খেতি-মাটি নাছিল, সম্পত্তি বোলোঁতে আছিল এজনী বুঢ়ী গাই। গাইজনীয়েও ঘাঁহৰ বাহিৰে একো খাবলৈ পোৱা নাছিল।

এদিন এই বুঢ়ী গাইজনীয়ে চৰি-ফুৰি ঘাঁহ খাই থাকোঁতে গৈ গৈ গাঁৱৰ জমিদাৰৰ খেতিত সোমাই পৰিল আৰু চাহিমুহি খাই থাকিল। এই দৃশ্য দেখা পাই জমিদাৰৰ চাকৰহঁত দৌৰি আহিল আৰু এটা চাকৰে গাইজনীক লাঠিৰে এমাৰ মৰাত নিশকতীয়া গাইজনী মৰি থাকিল।

হালোৱাই জমিদাৰৰ ওচৰলৈ গৈ তাৰ একমাত্ৰ গাইজনীৰ বাবে ক্ষতিপূৰণৰ বাবে আবেদন জনোৱাত জমিদাৰে ক'লে, "বাৰু, তোক ক্ষতিপূৰণ দিয়া যাব।"

জমিদাৰে হালোৱাটোক সৌকাৰে দহ কোব শোধাবলৈ তেওঁৰ অনুচৰ এটাক আদেশ দিলে। সৌকাৰ কোব খাই হালোৱা তাৰ ঘৰলৈ উভতি আহিল আৰু হালোৱানীক সকলো কথা বিস্তাৰিত ক'লে। হালোৱানীয়ে জমিদাৰৰ অত্যাচাৰৰ কথা ৰজাক জনাবলৈ হালোৱাক ক'লে।

কিন্তু—ৰজাক গোচৰ দিয়েগৈ কেনেকৈ? হালোৱা-হালোৱানী আছিল একেবাৰে অনাখৰী। অলপ সময় ধৰি এই সমস্যাৰ কথা ভবাৰ অন্তত উপায় এটা ওলাল।

হালোৱাই এচটা তক্তা অৰ্থাৎ চেপেটা কাঠ এচটাৰ ওপৰত এডাৱেৰে এক চিত্ৰ আঁকিলে। এই চিত্ৰত হালোৱাই নিজৰ জুপুৰী ঘৰ, জমিদাৰ পকী ঘৰ আৰু তেওঁৰ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

বেৰাৰে অ্যগুৱা খেতি আঁকিলে। তাৰ পাছত আঁকিলে তাৰ মৰা গাইজনী। গাইজনী খেতিৰ বেৰাৰ কাষতে মৰি পৰি আছিল আৰু জমিদাৰৰ অনুচৰ এটাই লাঠীৰে গাইজনীক মৰিয়াইছিল। তাৰ পাছত হালোৱাই আঁকিলে দহডাল সৰু সৰু লাঠী, অৰ্থাৎ দহটা দাগ দিলে সেই তক্তাচটাৰ ওপৰত।

তাৰ পাছত—এই অভিযোগৰ চিত্ৰ-সম্বলিত চেপেটা কাঠচটা পিঠিত বান্ধি লৈ হালোৱা ৰাজধানীলৈ বুলি ওলাল।

গৈ গৈ হালোৱা এক গভীৰ জংগলৰ কাষ পালেগৈ। তাত তেতিয়া এজন চিকাৰী বহি আছিল। চিকাৰীজনে এজোপা গছৰ তলত বহি জিৰণি লৈ আছিল। চিকাৰীজনে হালোৱাক সুধিলে, "হেৰা, তোমাৰ পিঠিতনো সেয়া কি? তুমি ক'লৈ যাবা?"

"মই ৰাজধানীলৈ যাম মহাৰাজ কলগ ধৰিবলৈ। মোৰ পিঠিত থকা চিত্ৰত আছে মোৰ অভিযোগ।" হালোৱাই চিকাৰীক ক'লে।

"কিহৰ কাৰণে অভিযোগ?" চিকাৰীয়ে হালোৱাক সুধিলে।

হালোৱাই কাঠ চটা পিঠিৰপৰা নমাই আনি চিকাৰীক চিত্ৰৰ কথা এটা এটাকৈ বুজাই ক'লে।

তেতিয়া চিকাৰীয়ে ক'লে, "তোমাৰ



অভিযোগ প্ৰকৃততেই বিচাৰৰ যোগ্য। ৰজাৰপৰা নিশ্চয় ন্যায়বিচাৰ পাবা।"

এই কথা কোৱাৰ পাছত চিকাৰী তাৰ পৰা গুচি গ'ল। আচলতে—এই চিকাৰীয়েই আছিল দেশৰ ৰজা। কিন্তু হালোৱাই সেই কথাৰ ভু নাপালে।

হালোৱাই ৰাজধানী পাই পোনে পোনেই ৰাজসভালৈ গ'ল।

ৰাজসভাত তেতিয়া স্বয়ং মহাৰাজ সিংহাসনত বহি আছিল। আৰু আছিল তেওঁৰ বাৰগৰাকী মন্ত্ৰী। মহাৰাজ তেতিয়া ৰাজকীয় সাজ-পাৰেৰে সুসজ্জিত হৈ থকাহেতুকে হালোৱাই মহাৰাজক চিনি নোপোৱা হ'ল। যি কি নহওক—হালোৱাৰ অভিযোগ সম্বলিত এডাৰেৰে অঁকা চিত্ৰ দেখা পাই মন্ত্ৰী এগৰাকীয়ে নাক কোঁচাই ক'লে, "এয়ানো কেনেকুৱা অভিযোগ? এই অভিযোগৰ মাথা-মুণ্ড দেখোন একোৱেই বুজা নাই!"

আন এগৰাকী মন্ত্ৰীয়ে মহাৰাজক ক'লে, "মহাৰাজ, এই মূৰ্খক ৰাজসভাৰপৰা উলিয়াই দিয়া যাওক।"

কিন্তু মহাৰাজে হালোৱাই এডাৰেৰে আঁকি লৈ অহা তক্তাৰ এঠাইত আঙুলিয়াই কৈ উঠিল, "এয়েনে তোমাৰ জুপুৰী?"

"হয়, মহাৰাজ।" হালোৱাই ক'লে।

"আৰু এইটো জমিদাৰৰ পকী ঘৰ।

"আৰু—এই খেতি পথাৰত তোমাৰ



গাইজনী সোমাইছিলগৈ। আৰু—এয়া জমিদাৰৰ অনুচৰে লাঠীৰে গাইজনীক কোবাই মাৰিলে।" মহাৰাজে ক'লে।

মহাৰাজৰ সঠিক ব্যাখ্যা শুনি আচৰিত হৈ পৰা হালোৱাই একো ক'বলৈ নৌ পাওঁতেই মহাৰাজে পুমৰ কৈ উঠিল, "এই দাগবিলাক কিহৰ চিন?"

"মহাৰাজ, জমিদাৰ ভাঁড়ৰীয়াৰপৰা গাইজনীৰ বাবে ক্ষতিপূৰণ বিচাৰি যোৱাত তেওঁ মোক সৌকাৰে দহ কোব শোধোৱাৰ চিন এইবোৰ।" হালোৱাই ক'লে "কিন্তু মহাৰাজ—আপুনি যিকথা ইমান সহজতে বুজি পালে—আপোনাৰ কাষত বহি থকা এওঁলোকৰ মগজুত নোসোমাল কিয়? এওঁলোক দেখিছোঁ একেবাৰে অনাখৰী!"

হালোৱাৰ কথাত ৰং পাই মন্ত্ৰীবৰ্গই একেলগে হোহোৱাই হাঁহি উঠিল।

মহাৰাজে হালোৱাক ক'লে, "বাৰু, এতিয়া তুমি তোমাৰ গাঁৱলৈ যোৱা। তোমাৰ অভিযোগৰ ন্যায় বিচাৰ পাবা।"

হালোৱা গুচি গ'ল।

পাছদিনা স্বয়ং জমিদাৰ হালোৱাৰ জুপুৰীলৈ আহিল আৰু হালোৱাৰ আগত হাত যোৰ কৰি তেওঁৰ অন্যায় অত্যাচাৰৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলে।

মহাৰাজৰ নিৰ্দেশক্ৰমে জমিদাৰে হালোৱাক ঘৰ এটা সাজি দিয়াৰ উপৰিও দহ হালিচা মাটি, দহজনী খীৰতী গাই আৰু এহেজাৰ মুদ্ৰাও দিলে।

হালোৱা-হালোৱানীৰ এতিয়া সুখৰো উপৰি সুখ। দেশৰ ৰজাৰ এই ন্যায়-বিচাৰৰ পঞ্চমুখে প্ৰশংসা কৰিও হালোৱাই হালোৱানীক ক'লে "আমাৰ মহাৰাজ যে ইমান বুদ্ধিমন্ত, কিন্তু—তেওঁ কিছুমান অনাখৰী মূৰখক কিয় যে শকত দৰমহাৰে পুহিছে আৰু সেইবোৰ অনাখৰীক মন্ত্ৰী বনাইছে—তাকেহে বুজা টান।"

৪

শ্ৰীৰামচন্দ্ৰই ৰাৱণ ৰজাৰ বিষয়ে সুগ্ৰীৱক সোধাত সুগ্ৰীৱে বেজাৰ মাতেৰে ক'লে, "হে ৰামচন্দ্ৰ! ৰাৱণ ক'ত থাকে—মই অৱগত নহওঁ। কিন্তু এই কথাত তুমি বিচলিত নহ'বা। মই তোমাক কথা দিছোঁ, এই ৰাক্ষস ৰাৱণক মই ত্ৰিজগত চলথ কৰি হ'লেও বিচাৰি উলিয়াম আৰু তাক নিশ্চয়েই চাকিন লোহোৱা কৰিহে এৰিম। তোমাৰ আৰু মোৰ দশা—একেই। আমাৰ দুয়োজনৰ পত্নী অপহৃতা। তথাপি মই ধৈৰয ধৰি আছোঁ। তুমিও অস্থিৰ নহ'বা।"

সুগ্ৰীৱৰ সান্ত্বনাবাক্য শুনি ৰামচন্দ্ৰই অশ্ৰু সংবৰণ কৰিব নোৱাৰিলে। ৰামচন্দ্ৰই সুগ্ৰীৱক ক'বলৈ ধৰিলে: "হে মোৰ মিত্ৰ, তুমি প্ৰকৃততেই মিত্ৰৰ দৰে প্ৰবোধ-বাক্যেৰে মোক সান্ত্বনা দিছা। তোমাৰ নিচিনা মহান মিত্ৰলাভ—ভাগ্যৰ কথা। কিন্তু—ৰাৱণৰসঠিক সম্বাদ নোপোৱালৈকে মই তো স্থিৰ হ'ব নোৱাৰিম। সীতা যে এতিয়া ক'ত কেনে অৱস্থাত আছে—সেই কথাৰ ভু নোপোৱালৈকে মই কেনেকৈনো স্থিৰ হ'ম? মোৰপৰা যদি কোনো সহায় তোমাক এতিয়াই লাগে—কোৱা। মই তোমাক সহায় কৰিব পাৰিমনে নোৱাৰিম, সেই সন্দেহ মনত পোষণ নকৰিবা। এই কথাত সম্পূৰ্ণ আস্থা ৰাখিবা যে—বালীক মই হেলাৰঙেই

'বালী-সুগ্ৰীৱৰ যুদ্ধ'

বধ কৰিব পাৰিম। মই আজিলৈকো মিছা দম্ভ কৰা নাই, আৰু আগলৈকো নকৰোঁ। মোৰ কথাত নিৰ্ভৰ কৰিব পাৰা।"

সুগ্ৰীৱে ৰামচন্দ্ৰক ক'বলৈ ধৰিলে: "হে মিত্ৰ, মোৰ জ্যেষ্ঠ ভ্ৰাতাই মোৰ সৈতে ঘোৰতৰ অন্যায় কৰা হৈছে। তেওঁ মোৰ ধৰ্মপত্নীকো অপহৰণ কৰিছে। এই কাম তেওঁ কিয় কৰিলে—মই এতিয়াও ঠাৱৰ কৰিব পৰা নাই। বিৰাট বলী বালীয়ে মোক ৰাজ্যভ্ৰষ্ট কৰিলে। আমকি তেওঁ মোক বধ কৰিবলৈকো প্ৰচেষ্টা নকৰা নহয়। মোক বধিলৈ তেওঁ যিবোৰ বানৰক ইয়ালৈ প্ৰেৰণ কৰিছিল, সেইবোৰক মই বধিলোঁ। নিজ-ভাতৃৰ ভয়তে ত্ৰস্তমান হৈ মই লুকায়িত জীৱন যাপিছোঁ— ইয়াতকৈ খেদৰ কথা আৰু কি হ'ব পাৰে? এই কাৰণেই, ভয়ৰ কোবত পৰিয়েইহে মই তোমাৰ ওচৰলৈ নগৈ হনুমন্তৰ যোগে তোমালোকৰ খা-খবৰ ল'বলগা হৈছিলোঁ। কিন্তু—এনেকৈনো আৰু কিমান কাললৈ জীৱন যাপিব পাৰি? বালীক বধ নকৰালৈকে মোৰ নিস্তাৰ নাই।"

শ্ৰীৰামচন্দ্ৰই মৃদুকৈ মলিন হাঁহিৰে সুগ্ৰীৱক ক'লে, "মই এটি মাত্ৰ বাণেৰে বালীক বধ কৰিব পাৰিম। যি মুহূৰ্তত বালীক দেখুৱাই দিবা, সেই মুহূৰ্ততে বালীক যমৰ আলহী কৰিম—এই কথাত সামান্য সন্দেহো নকৰিবা। মই তোমাৰ দুখৰ অন্ত শীঘ্ৰেই পেলাম।"

তেতিয়া সুগ্ৰীৱে বালীৰ বল-শক্তিৰ কথা ৰামচন্দ্ৰৰ আগত বিবৰিবলৈ ধৰিলে: "বালী উপজি পুৱাতে ওলায় আৰু সূৰ্য্যোদপয় আগতেই চাৰিওদিশত থকা সাগৰত স্নান সমাপন কৰি, সন্ধ্যা-বন্দনাও সামৰি আহে। তাৰ পাছত পৰ্বত শিখৰোপৰি থিয় হৈ ডাঙৰ ডাঙৰ শিলৰ চটাবোৰ শূন্যলৈ দলিয়ায় আৰু পুনৰ সেইবোৰ ধৰে। তাৰ পাছত—অৰণ্যৰ বিৰাট বিৰাট বৃক্ষবোৰ উভালি লৈ শূন্যলৈ

SSAMESE NOV '90 2A

দাঙি ধৰি ভীষণ জোৰেৰে দূৰ-দূৰণিলৈ দলিয়াই পঠায়। সহস্ৰ হস্তীৰ শক্তি থকা দুন্দুভি নামৰ ৰাক্ষসকো বালীয়ে এইদৰেই হেলাৰঙে বধিলে।"

দুন্দুভি আছিল এটা অতি অহংকাৰী ৰাক্ষস। দুন্দুভিয়ে মদান্ধ হৈ এদিন সমুদ্ৰক তাৰ সৈতে যুঁজিবলৈ আহ্বানে জনালে।

তেতিয়া সমুদ্ৰই দুন্দুভিক ক'লে যে দুন্দুভিক যদি প্ৰকৃততেই যুদ্ধ লাগে, তেন্তে তেওঁ হিমৱন্তৰ ওচৰলৈ যাওক।

সমুদ্ৰই তাৰ আগত প্ৰকাৰান্তৰে পৰাজয় মানি লোৱা দেখি দুন্দুভি তৎমুহূৰ্ততে হিমালয় পালেগৈ। দুন্দুভিয়ে তাৰ মূৰৰ শিঙেৰে হাতীৰ আকাৰৰ বিৰাট বিৰাট শিলবোৰ খুচি শূন্যলৈ দাঙি দলিয়াবলৈ ধৰিলে আৰু বিকট গৰ্জন কৰি হিমৱন্তক যুদ্ধলৈ আহ্বান জনালে।

এই দৃশ্য দেখা পাই হিমৱন্তই এটা সৰু পাহাৰৰ টিঙত থিয় হৈ দুন্দুভিক ক'লে, "দুন্দুভি, কিয় তুমি মোক অবাবতে যুদ্ধলৈ আহ্বান জনাইছা?. যুদ্ধ কৰাৰ ক্ষমতা বা ইচ্ছা—এটাও মোৰ নাই। এই স্থানত অসংখ্য ঋষি-মুনি শান্তিৰে জপ-তপ কৰি আছে। এই ভূমি ৰণভূমি নহয়, এই ভূমি হ'ল তপোভূমি।"

দুন্দুভিয়ে নিজৰ বুকুতে ঢৰা চাপৰ এটা মাৰি হিমৱন্তক ক'লে, "তুমি যদি যুদ্ধ নকৰিবাই. কোনে যুদ্ধ কৰিব মোক কৈ দিয়া। মই যে কিমান শক্তিধৰ—সেইটি কথা জগতক বুজাব লাগিব।"

"যদি তোমাক যুদ্ধকে লাগে—তেনেহ'লে কিষ্কিন্ধ্যালৈ যোৱা আৰু তাত বালীক এসেকা দিয়াগৈ। বালীক তুমি কিজানি দেখিয়েই হোঁহকা দিবা।" হিমৱন্তই উচটাই গাই বোৱাবলৈ চেষ্টা দিলে. "বালীৰ আগত তুমি কিজানি এক আখি কলৰো ভকত নহয়।"

দুন্দুভি পোনে পোনেই কিষ্কিন্ধ্যালৈ গ'ল আৰু গৈয়েই বালীৰ প্ৰাসাদৰ



সমুখত থিয় হৈ চিঞৰিবলৈ ধৰিলে। হুন্দুভিৰ ইমান আস্ফালন শুনি বালী সপত্নীক অন্তেযপুৰৰপৰা ওলাই আহিল আৰু বাহিৰত হুন্দুভিক দেখা পাই কৈ উঠিল, "হাৰে! তুমি দেখোন হুন্দুভি, তোমাক দেখোন চিনি পাওঁ। কিন্তু কিয়নো ইমান বেয়াকৈ চিঞৰিছা? তোমাৰ জীয়াই থকাৰ ইচ্ছা নাইনে?"

অগ্নিমূৰ্তি হৈ হুন্দুভিয়ে বালীক ক'লে, "কেৱল তিৰীৰ আগত বীৰ বোলাই তিৰী-গুৰন গিৰিটো হ'লে নহ'ব, মোৰ লগত যুঁজিব লাগিব, নোৱাৰোঁ বুলি নক'বা। কালিলৈ ৰাতি পুৱালৈকে তোমাক সময় দিলোঁ। আত্মীয়-স্বজন মিতিৰ-বন্ধু য'ত যি আছে—শেষ বাৰৰ বাবে চাই বিদায় লৈ আহাঁগৈ যোৱা। ওঁ—আৰু শুনা, তোমাৰ ঠাইত আজিয়েই আন কাৰোবাক ৰজা পাতিবা, পাছত সময় নাপাবা। তাৰ পাছত মই আহিম—আৰু তোমাৰ দৰ্প চূৰ্ণ কৰিম আৰু ত্ৰিজগতক দেখুৱাম —বালীৰ কিমান বল।"

হুন্দুভিৰ এনে ওফাইডডীয়া কথা শুনি ক্ৰোধত অগ্নিবৰ্ণ বালীয়ে দেবেন্দ্ৰ-প্ৰদত্ত কাঞ্চনমালা পিন্ধি হুন্দুভিক বাঘে ধৰা দি ধৰিলেগৈ। লাগিল বাঘ-বৰাৰ যুঁজ। হুন্দুভিৰ নাকত বালীয়ে এনেকে ভুকুৱালে যে একে ভুকুতে নাকৰপৰা ধাৰাসাৰ তেজ বৈ থাকিল।

বহুতোপৰলৈকে এনেকৈ তয়াময়া চলি থকাৰ অন্তত হঠাৎ মুষ্টিযুদ্ধ আৰম্ভ হ'ল। হুন্দুভিৰ শক্তি ধীৰে ধীৰে টুটি আহিল, নিৰ্বলী হৈ পৰিল, আৰু তেতিয়া বালীয়ে হুন্দুভিক দাডি ধৰি শূন্যপথেৰে বহু দূৰলৈ দলিয়াই পেলালে।

আৰু মুখৰপৰা জোলোকা-জোলোকে তেজ ওলোৱা হুন্দুভিৰ মৃতদেহ পৰিলগৈ মাতংগমুনিৰ আশ্ৰমলৈ। বালীয়ে ইমান জোৰেৰে হুন্দুভিক দলিয়াই পঠাইছিল যে —হুন্দুভিৰ মৃতদেহত লাগি অসংখ্য বৃক্ষ

চকুৰ পচাৰতে ধৰাশায়ী হ'ল।

আশ্ৰমত তেজৰ চেকা দেখা পাই মহামুনি মাতংগ অতিপাত ক্ৰুদ্ধ হৈ উঠিল। তেওঁ সামান্য সময়ৰ বাবে চকু মুদিলে আৰু কিয় কি হ'ল জ্ঞাত হ'ল। মহামুনি মাতংগই বালীক এই অভিশাপ দিলে যে—এই আশ্ৰমৰ এক যোজনৰ ভিতৰত যদি বালীয়ে কেতিয়াবা পদক্ষেপ কৰে, লগে লগে বালীৰ মৃত্যু হ'ব। মহামুনি মাতংগ ইমানতে নৰ'ল। তেওঁ তেওঁৰ সেৱকজনক বালীয়েই মুনিৰ আলপৈচান ধৰাৰ কাৰণে দিছিল।



সেৱকজন উভতি অহা দেখি বিস্মিত বালীয়ে সুধিলে, "তুমি গুচি আহিলা কিয়? বানৰহঁতৰ ক'ৰবাত কিবা বিপদ হ'লনে কি?"

এই কথাৰ উত্তৰত মুনিৰ সেৱকজনে মাতংগমুনিৰ ঘটনাৰ কথা বালীক বিশদভাবে বিবৰি ক'লে।

তৎপৰ বালী মাতংগমুনিৰ আশ্ৰমৰপৰা এযোজন আঁতৰত থাকিয়েই মুনিৰপৰা অভিশাপমুক্তিলৈ প্ৰাৰ্থনা জনালে। কিন্তু এই প্ৰাৰ্থনা মাতংগমুনিয়ে মঞ্জুৰ নকৰিলে।

মাংতগমুনিৰ আশ্ৰমৰ অদূৰতে আছিল ঋষ্যমুখ পৰ্বত। মুনিৰ আশ্ৰম বালীৰ বাবে বিপদজনক হোৱাত সুগ্ৰীৱে নিশ্চিন্ত মনেৰে ঋষ্যমুখ পৰ্বতত এতিয়াৰপৰা বসবাস কৰিবলৈ ধৰিলে।"

বালীৰ বিষয়ে এই সমস্ত সমাচাৰ সুগ্ৰীৱে ৰামচন্দ্ৰৰ আগত বিবৰি কোৱাৰ অন্তত সুগ্ৰীৱে ক'লে, "বিশাল বিশাল সাতোটা শালবৃক্ষ, সেই বৃক্ষক বালীয়ে এপাট কাঁড়েৰে ফালি পেলাব পাৰে। সিমান বলশালী বালীক তুমি সঁচাসঁচিকৈ বধিব পাৰিবানে?"

এই কথাত লক্ষ্মণে হাঁহি মাৰি ক'লে, "তুমি কেনেকৈ — কি কৰিলে—অবধ্য বালীক তেওঁ বধিব পাৰিব বুলি



পতিয়ন যাবা ক'বানে?"

"তেৱোঁ বালীৰ দৰে একেবাণে সাতোটা শাল-বিৰিখক ফালি পেলাব পাৰিবনে?" সুগ্ৰীৱে সন্দেহেৰে সুধিলে। তাৰ পাছত ৰামচন্দ্ৰক ক'লে, "হে ৰাম! বালী বৰ বলী। বালী আজিকোপতি ক'তো কদাপি পৰাজিত হোৱা নাই। মই বালীৰ বল-শক্তি জানো, কিন্তু তোমাৰ কথা একো নাজানো। মই তোমাৰ সম্পৰ্কে যি বলকি আছোঁ, ডৰ-ভয়ত পৰিহে, কিন্তু তোমাক ডৰাবৰ ইচ্ছা মোৰ সমূলি নাই।"

ৰামচন্দ্ৰই মৃহকৈ হাঁহি মাৰি ক'লে, "ময়ো নিজৰ পৰাক্ৰম তোমাক দেখুৱাম—যাতে মোৰ শক্তিত তুমি আস্থা ৰাখিব পাৰা।" এঈ বুলি কৈ, ৰামচন্দ্ৰই সপ্ত শালবৃক্ষক টোঁৱাই বাণ এপাট ধনুৰপৰা এৰিলে আৰু সেই বাণপাটে সাতটো শালবৃক্ষক ফালি, বহুদূৰস্থ পাহাৰ ভেদি, মাটিত পোত খাই পৰিলগৈ।

এই দৃশ্য দেখি সুগ্ৰীৱে ৰামচন্দ্ৰৰ পিনে বিস্মিত দৃষ্টিৰে চাই থাকিল। সুগ্ৰীৱে যেনিবা নিজৰ দৃষ্টিকো বিশ্বাস কৰিব নোৱাৰিলে। সুগ্ৰীৱে হাত যোৰ কৰি ক'লে, "হে ৰাম! বালীক নালাগে, তুমি আনকি ইন্দ্ৰাদি দেৱতাকো হেলাৰঙে পৰাজিত কৰিব পাৰিবা। তোমাৰ মিত্ৰতা লভি মই প্ৰকৃততেই নিজক ধন্য মানিছোঁ।"

শ্ৰীৰামচন্দ্ৰই সুগ্ৰীৱক আঁকোৱালি ল'লে। তাৰ পাছত লক্ষ্মণলৈ চাই সুগ্ৰীৱক ক'লে, "সুগ্ৰীৱ, আমি দুয়ো—মই আৰু লক্ষ্মণ—এতিয়া কিষ্কিন্ধ্যালৈ বুলি যাত্ৰা কৰিম। কিন্তু তুমি আমাৰ আগতেই কিষ্কিন্ধ্যালৈ গৈ মহাবলী বালীক যুদ্ধলৈ আহ্বান জনাবা।"

শ্ৰীৰামচন্দ্ৰৰ পৰামৰ্শমতে সুগ্ৰীৱ কিষ্কিন্ধ্যালৈ বুলি ওলাই পৰিল। আৰু—সুগ্ৰীৱৰ প্ৰায় পিছে পিছে ৰাম-লক্ষ্মণ, আৰু লগতে সুগ্ৰীৱৰ অনুচৰ কিছুমানো

Vankar...

গ'ল। গ'ল—কিছুখিনি দূৰত্ব বজায় ৰাখি। এওঁলোক বিৰাট বিৰাট বৃক্ষৰ আঁৰত লুকাই থাকিল।

সুগ্ৰীৱে নানান কথাৰে বালীক উত্তেজিত কৰি তুলিলে। সুগ্ৰীৱৰ অহম্ দিয়া মাত শুনি বালী অন্তেষপুৰৰপৰা ওলাই আহিল আৰু অকস্মাৎ সুগ্ৰীৱৰ ওপৰলৈ জঁপিয়াই পৰিল। দুয়োৰো মাজত মুষ্টিযুদ্ধ চলি থাকিল।

বালী আৰু সুগ্ৰীৱ—দুয়ো দেখাত হুবহু একেই আছিল। এই কাৰণে—দূৰৰপৰা শ্ৰীৰামচন্দ্ৰই কোন বালী আৰু কোন সুগ্ৰীৱ চিনি নোপোৱা হ'ল। ইতিমধ্যে বালীৰ হাতত মাধমাৰ খাই সুগ্ৰীৱ পলাল। সুগ্ৰীৱে বিজুলী গতিৰে মাতংগমুনিৰ আশ্ৰম পালেহি।

হনুমান আৰু লক্ষ্মণক লগত লৈ সুগ্ৰীৱ ৰামচন্দ্ৰৰ ওচৰলৈ আহিল। সুগ্ৰীৱে বিতুষ্ট ভাবেৰে ৰামচন্দ্ৰক ক'লে, "ৰাম, তুমি মোক অভয় দি বালীৰ বিৰুদ্ধে যুঁজিবলৈ পঠালা, আৰু পাছত কিয় এনেকৈ হাত সাবটি বহি থাকিলা?"

তেতিয়া ৰামচন্দ্ৰই ব্যথিত কণ্ঠেৰে ক'লে, "সুগ্ৰীৱ, তুমি এই কথাত বেয়া নাপাবা। তোমালোক ভাই-ককাই দেখাত হুবহু এক হোৱাত কোন বালী কোন তুমি—চিনি উলিয়াবলৈ টান পাই, বাধ্যত পৰি হাত সাবটি বহি আছিলোঁ। তোমাক মই পূৰ্ণ আশ্বাস দিছিলোঁ—সঁচা। কিন্তু ভুলৰ বশৱৰ্তী হৈ বালীৰ পৰিৱৰ্তে যদি তোমাকে বধিলোহেঁতেন! বাৰু, এতিয়া মোৰ কথা শুনা। তুমি কিবা এটা বিশেষ চিহ্ন ধাৰণ কৰি পুনৰ বালীক উলিয়াই আনি ৰণ দিয়াগৈ।"

তাৰ পাছত ৰামচন্দ্ৰৰ কথা মতে লক্ষ্মণে সুগ্ৰীৱত ডিঙিত গজপুষ্পৰ মালা এধাৰি ওলোমাই দিলে আৰু সুগ্ৰীৱ তেতিয়াই পুনৰ কিষ্কিন্ধ্যালৈ বুলি ওলাল।

মাটি খোৱা কাম

কথা পুৰণিদিনৰ। গুৰু সুবোধৰ টোলত বৎসল নামৰ এজন শিষ্য আছিল। বৎসলৰ বিদ্যাভ্যাস পূৰ্ণ হ'ল ; কিন্তু তথাপি সি গুৰুৰ অশ্ৰমতে থাকিব বুলি যেতিয়া ইচ্ছা প্ৰকাশ কৰা হ'ল—তেতিয়া গুৰু সুবোধে শিষ্য বৎসলক আন দহজন ন-শিষ্যক তথা বিদ্যাৰ্থীক পঢ়াবলৈ আজ্ঞা কৰিলে।

অতি কম দিনতে বৎসলে এই দহো-বিদ্যাৰ্থীকে শিক্ষাদান সমাপ্ত কৰিলে। গুৰু সুবোধৰ অন্যান্য শিষ্যই তেওঁলোকৰ শিক্ষাদানৰ গতি অতি ধীৰে আগবঢ়া যেন পাই, ক্ষুব্ধভাৱে গুৰুৰ কাষ চাপি বৎসলক শিক্ষক হিচাপে পাবলৈ প্ৰাৰ্থনা জনোৱাত গুৰু সুবাধে মৃদুকৈ হাঁহি মাৰি ক'লে, "শুনা, বৎসলৰ শিক্ষক হিচাপে অনভিজ্ঞতাৰ কথা ভাবিয়েই মই তোমালোকৰ মাজৰ চোকা ছাত্ৰকহে বৎসলৰ হাতত সঁপিছিলোঁ। মোৰ ওচৰত আজিলৈকে যিমান বিদ্যাৰ্থী আহিছে, তেওঁলোকৰ মাজত একমাত্ৰ কমলক মোতোকৈ অভিজ্ঞ বুলি ক'ব পাৰোঁ।"

এই কথা শুনি বৎসল দুঃখিত হ'ল আৰু গুৰু সুবোধক ক'লেহি, "গুৰুদেৱ! শিষ্যই যদি গুৰুক চেৰাই যায়—গুৰুৱে গৌৰৱহে বোধ কৰিব লাগে।"

গুৰু সুবোধে গহীন মাতেৰে ক'লে বৎসকল, "চোৱা বৎসল, এবাৰ কমলৰো এনেকুৱা ঘটনা ঘটিছিল ; কিন্তু কমলে তোমাৰ দৰে মোৰ নিন্দা কৰা নাছিল। তোমাৰ, আৰু মোৰ সেই অত্যন্ত প্ৰিয় শিষ্য কমলৰো ইচ্ছা একেটাই আছিল। কমলৰ মাজতো ডাঙৰ হোৱাৰ ইচ্ছা

সুষমা শৰ্মা

থকালৈ মন কৰি তাক মই মুক্তাপুৰলৈ পঠালোঁ। তাত তিনিজন মানুহক বিদ্যাশিক্ষা দিবলৈ। কমলক এই কামৰ বাবে মই ছমাহৰ সময় দিছিলোঁ। কিন্তু কমলে তাত সামান্য কিছুদিন থকাৰ অন্তত সেই মানুহ তিনিজনক বিদ্যাদান নকৰাকৈয়েই গুচি আহিছিল। তুমি যদি এই কাম পাৰা—তোমাকেই শ্ৰেষ্ঠ বুলি মানিম।"

মুক্তাপুৰত একেবাৰে অনাখৰী ক্ষুৰক নামৰ এজন নাপিত আছিল। ডাড়ি-চুলি খুৰায়েই ক্ষুৰকে পেট প্ৰৰ্তাইছিল।

এই একেই প্ৰকাৰে এই গাঁৱত ক্ষালক নামৰ ধোবা আৰু তন্তবায় নামৰ তাঁতী এজন আছিল—একেবাৰে অনাখৰী। এই দুজনেও নিজ নিজ জীৱিকাৰে যথেষ্ট আয়-উপাৰ্জন কৰিব পাৰিছিল।

এই ত্ৰিমূৰ্তিক বিদ্যাশিক্ষা দিবলৈ বৎসল পাছদিনাই মুক্তাপুৰ পাইছিলহি।

প্ৰথমে বৎসলে ক্ষুৰকক লগ ধৰিলেগৈ। ক্ষুৰকৰ ঘৰ-দুৱাৰ দেখি বৎসল বিস্মিত হ'ল।

বিদ্যাদাতা বৎসলৰ কথাৰ উত্তৰত ক্ষুৰকে ক'লে, "মহাশয়, মোৰ কামেই হ'ল মোৰ বিদ্যা। এই বিদ্যাৰ চৰ্চা কৰাৰ উপৰিও অন্য বিদ্যাৰ চৰ্চা কৰিবলৈ মোৰ সময়ো নাই, আৰু ইচ্ছাও নাই। আৰু যদি তথাপি অন্য বিদ্যাৰ কথা কয়েই—হৰি-কথা পুৰান-কথাৰেই মোৰ সেই অতৃপ্ত আকাংক্ষাৰ নিবৃত্তি থুলেমূলে হৈ যায়।"



"কোৱা হয় যে—বিদ্যাহীন মানুহ পশুৱৎ। তুমি যিমান ধন-সম্পত্তি সাঁচিছা—কেইবপুৰুষো ধৰি আৰামতে চলি যাব। এতিয়া আত্মোন্নতি—মানে নিজৰ মানসিক উন্নতি নকৰিবা কিয়? এতিয়া ডাড়ি-চুলিৰ কাৰবাৰ নকৰি কাগজ-কলমত ধৰা, মোৰ ওচৰত বিদ্যা শিক্ষা কৰা। সামান্য দিনতে মই তোমাক বিদ্যাৰ দুৱাৰমুখ দেখুৱাই দিম।" বৎসলে আশাভৰা কণ্ঠেৰে ক'লে।

এই কথা শুনি হাঁহি হাঁহি ক্ষুৰকে বৎসলক ক'লে, "পঢ়া-লিখা জনা নহওক বা হওকেই, মানুহো যে এক বিচিত্ৰ পশুৰ দৰে, সেই কথা সঁচা। সম্পত্তিৰ কথা যদি কয়—সি তো শাশ্বত নহয়। দেহৰ-মনৰ-চকুৰ শক্তি-দৃষ্টি থাকেমানে মই মোৰ এই কাম কদাপি নেৰোঁ।"

ক্ষালক আৰু তন্তুবায়ৰপৰাও বৎসলে প্ৰায় একেইবোৰ বক্তব্য পালে। এই কথাটি বৎসলে বঢ়িয়াকৈ বুজি পালে যে — এই তিনিওয়েই হ'ল অত্যন্ত আঁকো-গোজা। তিনিওজনৰে মতামতো প্ৰায় একেই। সিহঁতৰ বক্তব্য হ'ল যে—অধিক মাছত বগলী কণা হোৱাৰ দৰেই—অধিক বুজনৰ বিপদো অধিকেই, আৰু বহিব জানিলে মাটিয়েই যে পীৰা—সেইটি কথা কোনেইবা নাজানে? তথাপি—বৎসলে এওঁলোকৰ গাঁৱতে থাকি এওঁ-





লোকৰ মনত বিদ্যাৰ পুলি কৰলৈ কিমান যে অহোপুৰুষাৰ্থ কৰিলে—কিন্তু একো ফল নধৰিল। আৰু এইদৰে চাওঁতে-চিতোঁতেই গুৰু সুবোধ-প্ৰদত্ত ছমাহৰ সময়সীমা পাৰ হ'ল।

বৎসল হতাশ হৈ গুৰু সুবোধৰ আশ্ৰমলৈ উভতি আহিল আৰু এই বিষয়ত গুৰুৰ ওচৰত পৰাজয় স্বীকাৰ কৰিলে।

বৎসলৰপৰা মুক্তাপুৰৰ সকলো বৃত্তান্ত ধৈৰ্য্যেৰে শুনাৰ অন্তত গুৰু সুবোধে বৎসলক ক'লে, "মানুহে স্বাস্থ্যৰক্ষাৰ কাৰণে ব্যায়াম কৰে; কিন্তু চিকাৰ ধৰি খাই বতি থকা অৰণ্যৰ জন্তুৱে চিকাৰ ধৰাৰ বাদে আন কোনো ব্যায়াম নকৰে। দৈনন্দিন চিকাৰ কৰোঁতে যিখিনি স্বাভাৱিক অংগচালনা হয়, তাৰেই সিহঁতৰ হৈ যায়। তেনেকৈ, কোনোবা প্ৰবীণ ব্যক্তিয়ে যদি তেওঁৰ দৈনন্দিন কৰ্ম—বা জীৱিকামূলক কৰ্মও বিশ্বস্ত মনোযোগেৰে কৰে—তেনেহ'লে বিদ্যাভ্যাসৰ আৱশ্যকতা তেওঁ অনুভৱ নকৰিবও পাৰে। জগতত এনেকুৱা ঢেৰ মানুহ ওলাব, যিসকলে কেৱল কিবা প্ৰয়োজনৰ বাবেহে বিদ্যাভ্যাস কৰে, বিবিধ জ্ঞান আহৰণৰ বাবে নহয়। তোমাকো কওঁ—সেই ক্ষুৰক, ক্ষালক আৰু তন্তুবায়ৰ দৰে তোমাৰো যদি কিবা বিশিষ্ট জ্ঞান থাকিলেহেঁতেন, তুমিও বিদ্যাশিক্ষাৰ প্ৰতি ইমানকৈ আকৃষ্ট নহ'লাহেঁতেন। তুমি তোমাৰ আৱশ্যকতাৰ জোখাৰেহে বিদ্যাভ্যাস কৰি আছা। কিন্তু কমলে—কেৱল জ্ঞানাৰ্জনৰ বাবেহে বিদ্যাৰ্জন কৰিছিল। —সেইহে, শুনাত বেয়া যেন লাগিলেও কওঁ, তোমাৰ তুলনাত কমল সদায় আগবঢ়া হৈ থাকিব।"

"গুৰুদেৱ, ক্ষুৰক, ক্ষালক আৰু তন্তুবায়ক বিদ্যাশিক্ষা দান কৰাত কিন্তু আপোনাৰ অতি প্ৰিয় শিষ্য কমলো একেদৰেই ব্যৰ্থ হৈছিল। কিন্তু তথাপি মোৰ বৰ্তমান ব্যৰ্থতাক কমলৰ সৈতে

তুলনা কৰিছে—এয়া পৰিতাপৰ কথা।” বৎসলে ক্ষুব্ধ কণ্ঠেৰে ক'লে।

“তুমি মুক্তাপুৰলৈ গ'লা, সেই তিনিজনক বিদ্যা দান কৰিবলৈ ব্যৰ্থ হ'লা, ছটা মাহ এই চেষ্টাতে পাৰ কৰিলা, তাৰ পাছত ব্যৰ্থতাৰ বোজা মূৰত লৈ ইয়ালৈ পুনৰ উভতি আহিলা। কিন্তু প্ৰকৃত জ্ঞানাৰ্থীয়ে এই স্থানত কি কৰিলেহেঁতেন তুমি জানানে?” গুৰু সুবোধে সুধিলে।

কিন্তু বহু ভাবিও বৎসলে গুৰু সুবোধৰ মনৰ কথাৰ বুজ ল'ব নোৱাৰিলে।

বৎসলৰ মানসিক অৱস্থা অনুধাৱন কৰি গুৰু সুবোধ কৈ উঠিল, “এই একেটা কামলৈ গৈ কমলে কি কৰিছিল তুমি শুনিবানে? কমলো তাত ছমাহ আছিল, আৰু সেই ছমাহৰ ভিতৰত সেই তিনিজনৰ অধীত বিদ্যা কমলে শিকি আহিছিল।”

এই কথা শুনি বৎসলৰ মুখৰ বৰণ শেঁতা পৰিল। বৎসলে বিভ্ৰান্তৰ দৰে গুৰু সুবোধক সুধিলে, “কমলৰ দৰে জ্ঞানী ব্যক্তিক সেইবোৰ বিদ্যা কিয় লাগিছিল?”

“তাৰ আৰু তোমাৰ মাজত এয়ে পাৰ্থক্য। তুমি বিদ্যা আহৰণ কৰোঁতে সেই বিদ্যাৰে তোমাৰ কি কাম হ'ব ভাবা, আৰু কমলে যিকোনো বিদ্যায়েই জীৱনৰ জ্ঞান বঢ়াব বুলি ভাবে। যি বিদ্যা কমলে নিজে নাজানে—সেই বিদ্যাকে কমলে আয়ত্ত কৰি লয়। মুক্তাপুৰত থকা ছমাহ কাল কমলে শুই-বহি নকটাই এইদৰে জ্ঞান আহৰণৰ কামত লগাইছিল। কমলে আনক শিকাব নোৱাৰিছিল, কিন্তু নিজে আনৰ জ্ঞান শিকি আহিছিল। সময়ক কমলে ব্যৰ্থ হ'বলৈ দিয়া নাছিল।” গুৰু সুবোধে বৎসলক ক'লে।

তেতিয়াহে বৎসলে বুজি পালে গুৰুৰ বচন। এই ঘটনাৰ পাছত বৎসলে গুৰুৰ মুখত ধৰাৰ দৰে মাটি খোৱা কাম নকৰি জ্ঞান-সাগৰৰপৰা মুকুতা বুটলিব পাৰিছিল।

গোঁজেই গজালি

তেতিয়াৰ কালত পাৰাস্যদেশৰ ছুলতান আছিল ছৈয়দ আব্দুল্লাহ। এই ছুলতান আছিল অতি আমোদপ্ৰিয়। আমোদ-প্ৰমোদৰ বাবে তেওঁ লাখ লাখ দিনাৰ (পাৰস্যদেশৰ মুদ্ৰা) ব্যয় কৰিছিল। কিন্তু—উৰাই দিল ৰজাৰ ভঁৰালও উদং হয়। ছুলতানৰো অৱস্থা হ'ল সেয়ে।

তেতিয়া ছুলতানে বাধ্যত পৰি তেওঁৰ উজীৰক মতাই অনালে আৰু এই বিষয়ে দিহা-পৰামৰ্শ বিচাৰিলে।

দুয়ো বহু ধৰণে ভাবি-গুণি চাই-চিন্তি এটা উপায় উলিয়ালে। দেশত সুতৰ কাৰবাৰত উৎসাহ যোগোৱা যাওক। টকা ধাৰলৈ লওঁতায়ো ছুলতানক কৰ দিব. দিওঁতায়ো দিব আৰু তেতিয়া ছুলতানৰ ধনৰ ভঁৰাল টনকিয়াল হ'ব।

যেন ভবা তেন কাম. ছৈয়দ আব্দুল্লাহ তেওঁৰ নাম। এই সুতৰ বেপাৰৰ ঘোষণাৰ কথা চাৰিওফালে প্ৰচাৰ কৰা হ'ল।

সুতৰ বেপাৰত আইনমতে — ধাৰ লওঁতাই নিজৰ ক্ষমতা অনুসাৰে ধাৰ ল'ব, সুতৰে সৈতে সঠিক সময়ত পৰিশোধ কৰিব, নোৱাৰিলে বৰ টান শাস্তি পাব।

নতুন বেপাৰৰ নতুন আইনৰ কথাত ধনিকহঁতৰ মনত নধৰ-নপৰ লাগিল। এওঁলোকে টকা ধাৰলৈ দিয়ে. সুত পায়. দিওঁতাই দিব নোৱৰা হ'লে সুতৰো সুত তস্য সুত পাব।

যদিহে কোনোবাই সোধে যে ইমান সুত কিয় লয়—এওঁলোকে কয় : শুনা, মহৰীৰ দৰমহা. ছুলতানক দিবলগা কৰ এই সুতবেপৰাইহে দিব লাগে। সকলোকে

‘ফাৰ্ছি লোক-কথা’

দি-থৈ যি খুদকণ পাওঁ — তাৰে আমি কথমপি চলোঁ। ইয়াতকৈ কম সুত ল'বলগা হ'লে এই বেপাৰ বন্ধ কৰিব লাগিব।"

এনেতে এদিন ছুলতানৰ বিবি ছুলতানাৰ মনত — কিয় কোৱা নাযায়—এই কথা উক্ দি উঠিল ঃ

এই সুতৰ কাৰবাৰত ৰাইজৰ সুবিধানে অসুবিধা হৈছে — সেই কথা জানিব পৰাহেঁতেন ভাল হ'লহেঁতেন। ছুলতানাই, তেওঁৰ লিগিৰী এজনীক কথাটো সুধিলে।

লিগিৰীজনায়ে ক'লে, "হয়, সুতখোৰীৰ কাৰবাৰ ভালেই চলিছে। ধনিকহঁতে দুখীয়াৰ তেজ ভালকৈ শুহি ল'ব পৰা হৈছে, বাধ্যত পৰি উধাৰ লোৱাহঁত ঠিকমতে সুত মূলে দিব নোৱৰা হ'লেই সিহঁতে ফাটক খোৱা হৈছে, এই সুতৰ কাৰবাৰৰ যহতে ঘৰে ঘৰে অশান্তিৰ জুই।"

শুনি ছুলতানাৰ বেয়া লাগিল। ছুলতানেও তেওঁক কৈছিল, আৰু তেৱোঁ মনে-চিতে বিশ্বাস কৰিছিল যে—সুতৰ বেপাৰ ভাল বেপাৰ। প্ৰজাৰো সুবিধা হ'ব, ছুলতানৰ ধন-ভঁৰালো টনকিয়াল হ'ব। কিন্তু— লিগিৰিজনীৰ অভিজ্ঞতাই আন কথা কয়।

ৰাতিৰ পৰতে ছুলতানাই এই বিষয়ে ছুলতানক সোধাত ছুলতানে ছুলতানাক ক'লে, "সুতৰ কাৰবাৰীয়ে সুত ল'লে



তো কোনো অন্যায় নেদেখোঁ। ধাৰলৈ লৈ পৰিশোধ কৰোঁতে গাফিলি কৰিলে— আইনে ছুবই তাক। আইন—আইন। আইনে আনকি বাপেককো নেৰে।"

"ঠিক আছে,মোক আপুনি এহেজাৰ দিনাৰ (মুদ্ৰা) দিবনে?"

ছুলতানাৰ কথাত আচৰিত মানি ছুলতানে ক'লে, "কিয়?"

"ময়ো সুতৰ কাৰবাৰত ধৰিম। আপোনাক দিবলগা কৰ ময়ো দিম।"

কথাটো বিয়পি পৰিল যে—এইবাৰ ছুলতানাযে সুতৰ কাৰবাৰত ধৰিলে।

ছুলতানৰ প্ৰাসাদৰ সাধাৰণ প্ৰহৰী



এজনে ছুলতানাৰপৰা এশ দিনাৰ (মুদ্ৰা) ধাৰলৈ ল'লে আৰু পঞ্চাছ দিনাৰ সুত হিচাপে দিব বুলি ক'লে।

আন এজন চৰ্দাৰেও ছুলতানাৰপৰা পঞ্চাছ দিনাৰ সুত দিয়াৰ অংগীকাৰেৰে এশ দিনাৰ ধাৰ হিচাপে ল'লে।

আনকি—শেহলৈ উজীৰেও ছুলতানাৰ পৰা পাঁচশ দিনাৰ ধাৰলৈ লৈ এশ দিনাৰ সুত হিচাপে ভৰিব বুলি কবুল কৰিলে।

এইদৰে কিছু দিন পাৰ হ'ল। এদিন ছুলতানৰ কি মন গ'ল—চহৰত অকলশৰে ঘূৰি-ফুৰি চাবলৈ ধৰিলে।

ঘূৰোঁতে-ফুৰোঁতে বেলা দুপৰ হ'ল। ছুলতানৰ পেট কলমলাবলৈ ধৰিলে। ইফালে-সিফালে চাই অলপ আঁতৰত এটা পঁজা-ঘৰ দেখা পাই ছুলতান তালৈকে গ'ল।

সেই পঁজা-ঘৰৰ দুখীয়া গিৰিহঁতে ছুলতানক দেখি তৱধ মানিলে।

প্ৰায় মাটিলৈকে মূৰ দোঁৱাই ছালাম কৰি কৰি গিৰিহঁত ৰছুলে ছুলতান ছৈয়দ আব্দুল্লাহ্ক ঘৰৰ ভিতৰলৈ লৈ গ'ল।

ছুলতানে গিৰিহঁতক ক'লে, "বৰ ভোক লাগিছে. কিবা খাবলৈ দিয়া।"

"হুজুৰ খুদাবন্দ. আপুনি অলপ জিৰণি লওক, আপোনাৰ খানাৰ বাবে ইন্তজাম (বন্দবস্ত) এতিয়াই কৰা হ'ব, হুজুৰ।"

"এই বুলি. কৈয়েই গিৰিহঁত ৰছুল এজন ধনিকৰ ঘৰলৈ গ'ল আৰু তেওঁৰপৰা পঞ্চাছ দিনাৰ ধাৰলৈ লৈ আহিলগৈ।

তাৰ পাছত ৰছুলৰ বিবিয়ে (ঘৈণীয়েক) ছুলতানৰ কাৰণে যি শ্বাহী-খানা বনালে—চাই আৰু খাই ছুলতানৰো চকুৰে ঢেলুকা দিলে। এই খানা আছিল ছুলতানৰ অন্তেঃপুৰৰ খানাৰ সমতুল্য। খাই-বৈ ছুলতান পুনৰ প্ৰাসাদলৈ উভতি আহিল আৰু তেওঁ প্ৰাসাদ পায়েই তেওঁৰ উজীৰক মতাই অনাই এই দুখীয়া মানুহজনৰ কথা সবিস্তাৰে ক'লে আৰু দুখীয়া মানুহজনক এহেজাৰ দিনাৰ দিবলৈ আদেশ দিলে।

উজীৰৰ হাতত ছুলতানে দিয়া হেজাৰ দিনাৰ দেখা পায়েই ছুলতানাই উজীৰক ক'লে সুতৰে সৈতে ছশ দিনাৰ তৎক্ষণাৎ পৰিশোধ কৰিবলৈ।

উজীৰে বাধ্যত পৰি সুতৰে সৈতে ছুলতানাৰ ধাৰ মাৰিলে। তাৰ পাছত উজীৰে এজন চৰ্দাৰৰ হাতত বাদ বাকী চাৰিশ দিনাৰ গটাই দিলে আৰু ছুলতানক ভোজ-ভাত খুৱাই আপ্যায়িত কৰা সেই দুখীয়া গিৰিহঁত ৰছুলক এইখিনি দি আহিবলৈ ক'লে।

এই চৰ্দাৰেও ছুলতানাৰপৰা এশ দিনাৰ ধাৰলৈ লৈছিল। এইবাৰ ছুলতানাই চৰ্দাৰৰপৰা তেওঁৰ দিনাৰখিনি সুতে-মূলে উদ্ধাৰ কৰিলে। তাৰ পাছত চৰ্দাৰে বাকীখিনি দিনাৰ প্ৰহৰীৰ হাতত দিলে আৰু দুখীয়া ৰছুলক তুৰন্তে দি আহিবলৈ টানি ক'লে। কিন্তু ছুলতানাই খবৰটো পায়েই প্ৰহৰীক মতাই অনাই তাৰ পৰা তেওঁৰ প্ৰাপ্য পঞ্চাছ দিনাৰ সুতৰে সৈতে ডেৰশ দিনাৰ খোজাত সামান্য প্ৰহৰীয়ে ছুলতানাক 'নিদিওঁ' বুলি ক'ব নোৱাৰিলে।

কিছুদিনৰ পাছত ৰইছ (ধনিক) মানুহ এজনে ছুলতানক গোচৰ দিলেহি যে এজন ধকুৱাই ধাৰ সময়মতে পৰিশোধ কৰা নাই। ধনিকৰপৰা এই গোচৰ পায়েই ছুলতানৰ প্ৰহৰীয়ে মানুহজনক গ্ৰেপ্তাৰ কৰি লৈ আহিল।

ছুলতানে মানুহজনক সুধিলে, "কিহৰ প্ৰয়োজনত তুমি ধাৰ লৈছিলা?"

"হুজুৰ খুদাবন্দ! মেহমানক (আলহী) খুৱাবৰ বাবে। আৰু সেই মেহমান আছিল—আপুনি—খুদাবন্দ!" দুখীয়া ৰছুলে ছুলতানক ক'লে।

"কিন্তু মই যে পাছদিনাই তোমাক দিবলৈ এহেজাৰ দিনাৰ দি পঠালোঁ—তাৰপৰা তুমি ঋণ পৰিশোধ নকৰিলা কিয়?" ছুলতানে ৰছুলক সুধিলে।

আচৰিত হৈ ৰছুলে ক'লে, "হুজুৰ—মই—মই একো বুজা নাই। কোনো দিনাৰ তো কোনেও মোক দিয়া নাই!"

ছুলতানে ভুৰু কোঁচাই উজীৰলৈ চালে। উজীৰে বাধ্যত পৰি ছুলতানাৰ কথা ক'লে। তাৰ পাছত চৰ্দাৰেও ক'লে ছুলতানাই কেনেকৈ সুতে-মূলে উচুল কৰিলে—সেই কথা। আৰু তাৰ পাছত পদাপাল দেখি প্ৰহৰীয়েও ক'লে।

তেতিয়া ছুলতানে ক'লে, "তেনেহ'লে—তোমালোক তিনিওজনেই দেখিছোঁ—অপৰাধী। নিজৰ ক্ষমতাৰ বাহিৰে ধাৰ কৰিছিলা আৰু পাছত—চৰকাৰৰ পইচাৰে ধাৰ মাৰিছিলা। তোমালোকক ছবছৰকৈ সশ্ৰম কাৰাদণ্ডৰ আদেশ দিয়া হৈছে।"

তাৰ পাছত ছুলতানে ৰছুলকো ক'লে, "তোমাক মই পইচা ধাৰ-ধুৰ কৰি আনি খাহীখানা খুৱাবলৈ কৈছিলোঁনে? তুমিও তোমাৰ ক্ষমতাৰ বাহিৰে ধাৰ কৰিছিলা, আৰু তাৰ বাবে তোমাকো এবছৰৰ বাবে ফাটক খোৱাৰ আদেশ দিয়া হৈছে।"

ৰাতিৰ পৰতে ছুলতানাই ছুলতানক ক'লে, "কওকচোন বাৰু, এই সুতৰ কাৰবাৰত আমাৰ ধন-ভঁৰালত আজিলৈকে কিমান দিনাৰ পোৱা হ'ল?"

"কমেও তিনিলাখ দিনাৰ।"

"সময়মতে ধাৰ পৰিশোধ নকৰাৰ বাবে কিমান মানুহক কাৰাদণ্ড বিহা হল?" ছুলতানাই পুনৰ সুধিলে।

"মোটামুটি—বিছ হেজাৰমানক।"

ছুলতানাই হাঁহি মাৰি ক'লে, "এই বিছ হেজাৰ ফাটকিয়ালৰ খৰচ হিচাপে মহামান্য ছুলতানৰ চৰকাৰে ভৰিব লাগিব—কমেও পাঁচ লাখ দিনাৰ। —ছুলতানৰ ধন-ভঁৰালত থাকিল কিমান দিনাৰ? ইয়াকে বোলে—গোঁজেই গজালি।"

পাছদিনাই ছুলতানে সুতৰ কাৰবাৰৰ ওপৰত নিষেধাজ্ঞা জাৰী কৰিলে।





নেজৰ ঝমক!

'বীবৰ' নামৰ উভচৰ এটি জন্তু আছে। এই বীবৰ নামৰ জন্তুটিৰ নেজ চেপেটা আৰু বহল! পানীত নেজেই তাৰ গুৰিবঠাৰ কাম দিয়ে। আকৌ এই নেজেই হ'ল তাৰ বিপদজ্ঞাপক আহিলা; বীবৰে যেতিয়া পানীত তাৰ এই নেজেৰে জোৰেৰে আচোট মাৰে, তেতিয়া সেই আচোটৰ শব্দ কেইবামাইল দূৰৰপৰাও শুনা যায়!

জগতৰ ডাঙৰ কীট!

আফ্ৰিকাৰ বিষুব-অঞ্চলৰ 'গোলিয়াথ' নামৰ গুবৰুৰা একোটাৰ ওজন ১০০ গ্ৰাম আৰু জোখত ৪·৩৩ ইঞ্চি বা ১১০ মি. মি. দীঘল হয়!

RAMBO IV
No more evil, injustice and crime will be tolerated in this city. The relentless crusader is here. With his famed Zap Gun (the three sound gizmo that's the terror of the underworld) and his fleet of rough 'n tough ready-for-action vehicles — Wrecker, Super Dumper and Fire Engine. And of course, his missile-firing Helicopter. So...breathe easy. The one man army is here.
SAMMO
Mechanical and electronic toys
CHANDAMAMA TOYTRONIX
In collaboration with Sammo Corporation, S.Korea
Chandamama Toytronix Private Limited, Chandamama Buildings, 188, NSK Salai, Vadapalani, Madras 600 026
Mudra:M CTPL:4093

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯১ চনৰ জানুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব



* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯০ চনৰ নভেমবাৰ মাহৰ ২০তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'স্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯০ চনৰ ছেপটেমবাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : পিয়াহৰ টকালি

দ্বিতীয় ফটো : উলাহৰ মাদলি

পুৰস্কাৰ প্ৰাপক : পানীৰাম পাটৰ: পাগলাদিয়া পাৰ, কামৰূপ।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি চান্দমামা ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী, গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙণি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১'০০ ● উৰাজাহাজ-যোগে ১৫৬'০০

**ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ**

জাহাজ-যোগে ৮৭'০০ ● উৰাজাহাজ-যোগে ১৫৬'০০

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্ট নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

Ta dum, They is here
Oops! Kiddy grammar sure is catchy—Ya, they are here.
Bow Wow 'n' Floppy the doggies (wuff! wuff!), Jumbo the elephant, Wobbit the rabbit, Teddy 'n' Sporty your bear buddies, the mouse of your house—Squeeks, not to mention Flipper the dolphin 'n' Bunny with the Twins. They are all part of the CUDDLES family. And hang on—there's more to come.
The one thing we didn't do while making our toys was fool around. We left that entirely for your kid to do. Come, check us out.
What stuffing to use, what shape to give, which colour to use...... We've spent long months in designing and crafting the toys which can take on the toughest torture test ever—childhandling. To ensure that they're safe.
CUDDLES
CHANDAMAMA TOYTRONIX
In collaboration with Sammo Corporation, S.Korea
Chandamama Buildings, 188, NSK Salai, Vadapalani, Madras-600 026.

CHANDAMAMA (Assamese) November 1990 Regd. No. TN/MS (S)/87

উত্তম মানৰ গাখীৰ
আৰু মাখন থকা,
সোণালী 'গোল্ড'ৰ
সোণালী কথা!

নিউট্রিন
GOLD

প্ৰতিজনে বিছাৰে
সকলোৱে বিছাৰে গোল্ড!

THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets

Visesh/NC/9089/Ass